সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ০৩ সংখ্যা, ৪ মাঘ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 03 Date of Publication- 18 January 2026 Rs. 10.00/-

## অন্য এক ইতিহাসঃ প্ৰধানমন্ত্ৰীৰ উপস্থিতিত ১০ সহস্ৰাধিক শিল্পীৰ বাগুৰুম্বা নৃত্য



ৰঙিলী বাৰ্ত্তাসেৱা- সংস্কৃতিৰ পথাৰত নতুন ইতিহাস ৰচিলে বড়ো লোক-সংস্কৃতিৰ অনন্য উপাদান বাগুৰুম্বা নৃত্যই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ১০ সহস্ৰাধিক বড়ো শিল্পীয়ে উদ্ভাসিত কৰি তুলিলে এক অপূৰ্ব সংস্কৃতিৰ পৰিচয়। অসম চৰকাৰে আয়োজন কৰা 'বাগুৰুম্বা দহৌ' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি ৰাজ্যৰ ১০ হাজাৰৰো অধিক শিল্পীয়ে পৰিৱেশন কৰা বাগুৰুম্বা নৃত্যৰে মুখৰিত হৈ পৰিল গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড় প্ৰকল্প। খাম, চিফুঙৰ সুললিত ধ্বনিত উথপথপ হৈ পৰিল সমগ্ৰ ক্ৰীড়া প্ৰকল্পৰ চৌহদ । দখনা, আৰণাই পৰিহিত বড়ো গাভৰুৰ লয়লাস নৃত্যভংগীত সজীৱ হৈ উঠিল সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত এই ঐতিহাসিক ক্ষণৰ সাক্ষী হৈ ৰ'ল সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পত উপস্থিত অগণন দৰ্শক। উল্লেখ্য যে, অনুষ্ঠানৰ আৰম্ভণিতে সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পত বিশেষভাৱে সজাই তোলা আকৰ্ষণীয় এখন বিশেষ বাহনত উঠি প্ৰধানমন্ত্ৰী মোদীয়ে সকলোৰে সম্ভাষণ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীক সংগ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে সকলোকে মাঘ বিহুৰ শুভেচ্ছা জনাই কয়, মোৰ সৌভাগ্য যে অসমৰ সংস্কৃতি ওচৰৰ পৰা চোৱাৰ সুবিধা পাই আহিছো। মই অসমলৈ যিমান

( দুই পৃষ্ঠাত চাওক)



## বাগানপাৰাত আছুৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱস আয়োজন



ৰঙিলী বাৰ্ত্তাসেৱা- সুন্দৰৰ পূজাৰী, মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক মৃত্যু তিথিত তেওঁক সুঁৱৰি ৰাজ্যজুৰি ৰাইজে পালন কৰিলে শিল্পী দিৱস। শদিয়াৰ পৰা ধুবুৰীলৈ জ্যোতি বন্দনাৰে মুখৰ হ'ল ৰাজ্য। ইপিনে বাক্সা জিলাৰ বাগানপাৰাত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হয় শিল্পী দিৱস। দুদিনীয়াকৈ অনুষ্ঠিত

( দুই পৃষ্ঠাত চাওক)

## আমাৰ দৃষ্টিত য়াটত থকা প্ৰতিজনেই সমানেই দোষীঃ গৰিমা গাৰ্গ



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ (মহানগৰ) জিলা আৰু সত্ৰ আদালতত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ হত্যাকাণ্ডৰ চতুৰ্থটো শুনানি আদালতত অনুষ্ঠিত হয়। জ্যেষ্ঠ অধিবক্তা কৰি দিয়া বিশেষ অধিবক্তাৰ দলে শুনানিত শিল্পীগৰাকীৰ হৈ আদালতৃত যুক্তি প্ৰদৰ্শন কৰে। শুনানিৰ পাছতে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰে কয় যে আমি যিমান পাৰোঁ ভালদৰে গোচৰটো আগবঢ়াই নিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা কৰিম। আৰক্ষীয়ে এতিয়ালৈকে যিমানখিনি তথ্য আমাক প্ৰদান কৰিছে, সেই সকলোখিনিৰেই শুনানিত অংশ ল'ম। উল্লেখ্য যে আদালতত জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু নৰ্থ-ইষ্ট ফেষ্টিভেলৰ স্বত্বাধিকাৰী শ্যামকানু মহন্তই জামিন আবেদন দাখিল কৰে। ইয়াৰ পূৰ্বে অমৃতপ্ৰভা মহন্ত, সন্দীপন গাৰ্গ আৰু আনগৰাকী দেহৰক্ষী পৰেশ বৈশ্যই আদালতত জামিন আবেদন দাখিল কৰিছিল। আদালতে উক্ত ৫খন জামিন আবেদনৰ শুনানিৰ বাবে অহা ২২ জানুৱাৰী দিন নিৰ্ধাৰণ কৰিছে। ইয়াৰ বাহিৰেও অহা ৩০ জানুৱাৰীত আদালতে অভিযুক্তকেইজনৰ বিৰুদ্ধে চাৰ্জ ফ্ৰেমিঙৰ শুনানিও ল'ব। চৰকাৰী লোক অধিবক্তা জিয়াউল কামাৰে আদালতত অভিযুক্ত ৫জনৰ জামিন আবেদনৰ বিৰুদ্ধে আপত্তি দৰ্শাব বুলি মন্তব্য কৰে। চৰকাৰী অধিবক্তা জিয়াউল কামাৰে জনায় যে হাফলং কাৰাগাৰত গা বেয়া হৈছে অভিযুক্ত শেখৰজ্যোতি

(দহ পৃষ্ঠাত চাওক)

## এলিভেটেড কৰিড'ৰৰ বিৰোধিতা গৌৰৱ গগৈ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰায় ৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে কাজিৰঙাত এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে আধাৰশিলা স্থাপন কৰিবলগীয়া এলিভেটেড কৰিড'ৰ প্ৰকল্পটোৰ বিৰোধিতা কৰিলে প্ৰদেশ কংগ্ৰেছৰ সভাপতি, সাংসদ গৌৰৱ গগৈয়ে। নলবাৰীত সংবাদ মাধ্যমৰ আগত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কাজিৰঙাত এলিভেটেড কৰিড'ৰ স্থাপনৰ মুকলি বিৰোধিতা কৰি কয় যে এলিভেটেড কৰিড'ৰতকৈ যদি সেইখিনি ধন বানপানী সমস্যা সমাধানৰ বাবে

(দহ পৃষ্ঠাত চাওক)

## গুৱাহাটী বিশ্ববিদ্যালয়ত বিকশিত ভাৰত ৱেবিনাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় যুৱ দিৱসৰ লগত সংগতি ৰাখি অসমৰ যুৱ শক্তি আৰু বিকশিত ভাৰত-২০৪৭ৰ ওপৰত গুৱাহাটী বিশ্ববিদ্যালয়ত এক অনলাইন ৱেবিনাৰ অনুষ্ঠিত কৰা হয়। একচন এনজিঅ' আৰু

(দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰীৰ উপস্থিতিত ১০ সহস্ৰাধিক

আহিছো পূৰ্বে কোনো প্ৰধানমন্ত্ৰী অহা নাই। অসমৰ কলা-সংস্কৃতিয়ে বিশাল মঞ্চ পোৱাটো আমি বিচাৰো। অসমৰ কলা-সংস্কৃতিত অদ্ভুত আনন্দ আছে। বড়ো সমাজৰ পৰিচয় বাগুৰুম্বা নৃত্য। বাগুৰুম্বা কেৱল এটা উৎসৱ নহয় বড়ো পৰম্পৰাৰ সন্মান দিয়া, মহান ব্যক্তিসকলক স্মৰণ কৰা। বড়ো সমাজৰ মহান ব্যক্তিসকলে সমাজ সংস্কাৰৰ বাবে কাম কৰিছে। মই সকলো মহান ব্যক্তিক সেৱা জনাইছো। এই বিৰল মুহূৰ্তৰ সাক্ষী হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য- চাওক, মোৰ অসমখন কিমান আগুৱাই গৈছে। ইয়াত উপস্থিত হৈ মই আৱেগিক হৈ পৰিছোঁ। এটা সময়ত য'ত প্ৰতিদিনেই ৰক্তপাত হৈছিল, আজি সেই স্থানতেই সংস্কৃতিৰ অপূৰ্ব সমাহাৰ ঘটিছে। এটা সময়ত য'ত গুলীৰ শব্দৰে ৰজনজনাইছিল, সেই স্থানতে এতিয়া খাম আৰু চিফুঙৰ মধুৰ ধ্বনি শুনিবলৈ পোৱা গৈছে। পূৰ্বে য'ত সান্ধ্য আইনে স্তব্ধ কৰিছিল, সেই স্থানতেই সংগীতৰ মধুৰ গুঞ্জন শুনিবলৈ পোৱা গৈছে। পূৰ্বে য'ত অশান্তি আৰু অস্থিৰতা আছিল, সেই স্থানতে আজি বাগুৰুম্বাৰ মহাআয়োজন হৈছে। এনে মহাআয়োজন কেৱল অসমৰেই নহয়, সমগ্ৰ ভাৰতৰ ই এক সাফল্য। অসমৰ পৰিৱৰ্তনক লৈ দেশৰ প্ৰতিগৰাকী নাগৰিক আজি গৌৰৱান্বিত। অসমৰ এই পৰিৱৰ্তন কেৱল উপলব্ধি নহয়, সমগ্ৰ ভাৰতৰ বাবে গৌৰৱ। মই সন্তুষ্ট যে মোৰ অসমীয়া ৰাইজে, বড়ো ভাই-ভনীয়ে মোক ভৰসা কৰিছে। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে সন্ধিয়া ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত বাগুৰুম্বা নৃত্যৰ ঐতিহাসিক পৰিৱেশন প্ৰত্যক্ষ কৰে। বড়ো জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰা উদ্‌যাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ উদ্যোগত আয়োজিত বাগুৰুম্বা দ'হৌ-২০২৬ শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যৰ ২৩খন জিলাৰ ৮১টা বিধানসভা সমষ্টিৰ পৰা অহা ১০ হাজাৰৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যৰ কলা-সংস্কৃতি তথা বড়ো জনগোষ্ঠীক বিশ্ব দৰবাৰত তুলি ধৰি অনুষ্ঠিত বাগুৰুম্বা দ'হৌ অনুষ্ঠানৰ পূৰ্বে উপস্থিত সহস্ৰাধিক লোকক উদ্দেশ্যি প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত কয়- বাগুৰুম্বা কেৱল নৃত্য নহয়। এয়া বড়ো পৰিচয়ৰ জীৱন্ত উৎসৱ। এয়া বড়ো তথা অসমীয়া সমাজৰ প্ৰাণ। বড়ো পৰম্পৰাক সন্মান দিয়া বাগুৰুম্বা এক মাধ্যম। এই মাধ্যম হ'ল বড়ো সমাজৰ মহান বিভূতিসকলক স্মৰণ কৰা। বডোফা উপেন্দ্ৰনাথ ব্ৰহ্ম, গুৰুদেৱ কালীচৰণ ব্ৰহ্ম, ৰূপনাথ ব্ৰহ্ম, সতীশ চন্দ্ৰ বসুমতাৰী, মৰাদম ব্ৰহ্ম আৰু কনকেশ্বৰ নাৰ্জাৰীকে ধৰি বড়ো সমাজৰ বহু মহান ব্যক্তি, যিসকলে সামাজিক সংস্কৰণ, সাংস্কৃতিক পুনৰ জাগৰণ আৰু ৰাজনৈতিক চেতনাক মজবুত কৰিছিল। এই ঐতিহাসিক সন্ধিক্ষণত মই বড়ো সমাজৰ প্ৰতিগৰাকী মহান ব্যক্তিক শ্ৰদ্ধাৰে নমস্কাৰ কৰিছোঁ। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়- বিজেপিয়ে অসমৰ সংস্কৃতিক সমগ্ৰ জাতিৰ গৌৰৱ বুলি গণ্য কৰে। অসমৰ অতীত আৰু ঐতিহ্য অবিহনে ভাৰতৰ ইতিহাস অসম্পূৰ্ণ। বিজেপি চৰকাৰৰ কাৰ্যকালতে বাগুৰুম্বা দ'হৌৰ দৰে উৎসৱ আয়োজন কৰা, বিহুক ৰাষ্ট্ৰীয় স্বীকৃতি দিয়া আৰু চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত কৰাৰ এই প্ৰচেষ্টা হৈছে অসম তথা অসমীয়া জাতিৰ প্ৰতি সন্মান। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ লগতে বড়ো ভাষাকো সহযোগী চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছে। বড়ো ভাষাত শিক্ষা শক্তিশালী কৰাৰ বাবে এটা সুকীয়া সঞ্চালকালয় স্থাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে এই পদক্ষেপৰ লগতে বাথৌ পূজাত ৰাজ্যিক বন্ধ ঘোষণা কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্য- আমাৰ চৰকাৰৰ কাৰ্যকালতে অসমৰ মহান বীৰ লাচিত বৰফুকনৰ বিশাল প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। সমান্তৰালভাৱে বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্তিও স্থাপন হৈছে। তেওঁ কয়-শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি, সামাজিক সম্প্ৰীতি-পৰম্পৰা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কলা- চেতনাক অসমত ঐতিহ্যৰ অংশ হিচাপে সন্মানিত কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বাবেই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়- কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰসমূহক শান্তি আৰু উন্নয়নৰ বিশেষ দায়িত্ব অৰ্পণ কৰা হৈছে। বড়ো চুক্তিৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়-২০২০ চনত সম্পাদিত হোৱা বড়ো চুক্তিয়ে দশক দশক ধৰি চলি থকা সংঘাতৰ অন্ত পেলাইছিল আৰু এই চুক্তিৰ বাবেই হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে হিংসা পৰিত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহিবলৈ সক্ষম হৈছে। চুক্তিৰ পিছত বড়োভূমিত শিক্ষা আৰু উন্নয়নৰ নতুন সুযোগৰ অন্বেষণ ঘটিছে, শান্তি দৈনন্দিন জীৱনৰ অংশ হৈ পৰিছে। এইক্ষেত্ৰত জনসাধাৰণৰ প্ৰচেষ্টা আছিল উল্লেখনীয়। বড়ো চুক্তিৰ জৰিয়তে শান্তিৰ পথ বাছি লোৱা যুৱক-যুৱতীসকলক উদ্দেশ্যি প্ৰধানমন্ত্ৰীয়ে কয়- ক্ৰমাৎ একত্ৰিত হোৱা বড়ো সম্প্ৰদায় এক উজ্জ্বল ভৱিষ্যতলৈ আগবাঢ়িছে। বড়ো শান্তি চুক্তিৰ পিছৰে পৰা বড়োলেণ্ডৰ উন্নয়নৰ বাবে চৰকাৰে অহৰহ কাম কৰি আহিছে। চৰকাৰৰ প্ৰচেষ্টাৰ ফলস্বৰূপে আজি বড়োভূমিলৈ কোটি কোটি টকাৰ আবণ্টন হৈছে। আজি প্ৰতিভাৱান বড়ো যুৱক-যুৱতীসকলে ৰাজ্যৰ সাংস্কৃতিক ৰাষ্ট্ৰদূত হোৱাৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো উৎকৃষ্টতা দেখুৱাবলৈ সক্ষম হৈছে। বিজেপি চৰকাৰে উন্নত আন্তঃগাঁথনিৰ জৰিয়তে দিল্লী আৰু অসমৰ মাজত দূৰত্ব হ্ৰাস কৰিবলৈ সক্ষম হৈছে। আনহাতে কংগ্ৰেছক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, "অসমৰ কলা-সংস্কৃতিৰ সন্মান কৰিলে কংগ্ৰেছ দলে ভাল নাপায়। এই কংগ্ৰেছ দলে ভূপেন হাজৰিকাক ভাৰতৰত্ন দিওতে বিৰোধ কৰিছিল। কংগ্ৰেছৰ নেতাই অসমত হোৱা ছেমি কণ্ডাক্টৰৰ বিৰোধিতা কৰিছিল। আজিও মই ডিঙিত অসমৰ স্বাভিমানৰ গামোচা লৈ থাকিলে কংগ্ৰেছে উপলুঙা কৰে। দশক দশক ধৰি কংগ্ৰেছৰ বাবে অসম দেশৰ মূলসুঁতিৰ পৰা আঁতৰত আছিল। নিজৰ স্বাৰ্থৰ বাবে অসমক অস্থিৰ কৰি ৰাখিছিল। কংগ্ৰেছে ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে কাম কৰিলে। সদায়ে অসমক উপেক্ষা কৰিলে। বড়োলেণ্ডৰ কথা কেতিয়াও নুশুনিলে। কংগ্ৰেছে বিভাজনৰ ৰাজনীতি কৰিলে। কংগ্ৰেছে অনুপ্ৰৱেশৰ সুবিধা কৰি দিলে। কংগ্ৰেছে ভোট বেংকৰ বাবৰ অনুপ্ৰৱেশকাৰীক ভাল পায়। কংগ্ৰেছৰ বাবে অসমত অনুপ্ৰৱেশ বৃদ্ধি পালে। আজি হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অনুপ্ৰৱেশকাৰীৰ পৰা অসমৰ ভূমি উদ্ধাৰ কৰিছে। কংগ্ৰেছে অসমক সদায়ে সমস্যাৰ মাজত ৰাখিলে। এতিয়া কংগ্ৰেছৰ পাপ খণ্ডনৰ কাম বিজেপিয়ে কৰি আছে। বড়োলেণ্ডৰ বিকাশৰ বাবে কাম কৰি আহিছে। বিজেপি চৰকাৰে অসম আৰু দিল্লীৰ দূৰত্ব হ্ৰাস কৰিলে।" প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে সমাজ শিপাৰ সৈতে জড়িত হৈ থাকিলে ইতিবাচক পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। উল্লেখ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে শনিবাৰে বিয়লিৰ ভাগত গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিমানবন্দৰত উষ্ম আদৰণি জনায়। ইয়াৰ পিছতে সৰুসজাইলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীক শংখ, ঘণ্টা, ঢোল, পেঁপা, তালেৰে আদৰণি জনোৱা হয়। সৰুসজাইৰ বাগুৰুম্বা অনুষ্ঠানৰ পাছতেই এক লেজাৰ শ্ব'ৰো অনুষ্ঠান হয়। প্ৰধানমন্ত্ৰীৰ এই আগমনক বড়ো শিল্পীসকলে ম'বাইলৰ পোহৰেৰে আদৰণি-ধন্যবাদ জ্ঞাপন কৰে। বাগুৰুম্বা দ'হৌৰ এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ বিজুলী কলিতা মেধি, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, মন্ত্ৰী বিমল বড়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী, সাংসদ, বিধায়ক আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# বিৰাট কোহলীৰ অভিলেখ ভংগ বৈভৱ সূৰ্যবংশীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ১৯ বছৰ অনুৰ্ধ্ব এদিনীয়া বিশ্বকাপত বিস্ফোৰক বেটিঙেৰে ১৪ বছৰীয়া বৈভৱ সূৰ্যবংশীৰে টীম ইণ্ডিয়াৰ তাৰকা ক্ৰিকেটাৰ বিৰাট কোহলীৰ এক অভিলেখ ভংগ কৰে। যুৱ এদিনীয়া ক্ৰিকেটত সৰ্বাধিক ৰান সংগ্ৰহকাৰীৰ তালিকাত বিৰাট কোহলীক অতিক্ৰম কৰিলে বৈভৱে। শনিবাৰে বাংলাদেশৰ বিপক্ষে (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ বানীপুৰ শাখা সাহিত্য সভা আৰু মহিলা সমিতিৰ উদ্যোগত শিল্পী দিৱস পালন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভা আৰু বাণীপুৰ মহিলা সমিতিৰ যুটীয়া উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। এই সভাত সভাপতিত্ব কৰে গুণকান্ত শইকীয়াই। সভাপতিসহিত বিশিষ্ট ( তিনিপৃষ্ঠাত চাওক)

# বাগানপাৰাত আছুৰ

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ দ্বিতীয় দিনা পুৱা পতাকা উত্তোলন কৰে ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই । লগতে শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক সমীৰণ ফুকনে। দ্বিতীয় দিনাৰ কাৰ্যসূচীত অংশ লৈ আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে। মাল্যাৰ্পণ কৰি ড° সমুজ্জ্বল ভট্টাচাৰ্যই দাদা চাহেব ফাল্কে বঁটাৰ দৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা প্ৰদান কৰিব লাগে বুলি ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক দাবী জনায়। উপদেষ্টা ড° ভট্টাচাৰ্যই অসমৰ আটাইকেইখন বিশ্ববিদ্যালয়ত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ নামত আসন সংৰক্ষণ কৰাৰ দাবীও চৰকাৰক উত্থাপন কৰে। ৰূপকোঁৱৰক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰক আহ্বান জনায় আছুৰ সভাপতি উৎপল শৰ্মা আৰু সমীৰণ ফুকনে। অনুষ্ঠানটোত তিনি হাজাৰ শিল্পীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতিৰে অতিথিসকলক আদৰণি জনোৱাৰ পাছতে আছুৰ সভাপতি উৎপল শৰ্মাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত সভাত 'জ্যোতিৰ্ময় বাগানপাৰা' স্মাৰকগ্ৰন্থ উন্মোচন কৰা হয়। তদুপৰি শিল্পীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে ভাগ লয়। উল্লেখ্য যে আজিৰ পতাকা উত্তোলন কাৰ্যসূচীৰ পিছতেই প্ৰায় তিনি সহস্ৰাধিক মহিলাই সমবেত সংগীত পৰিৱেশন কৰে । সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয়, "অসম আন্দোলনৰ আগত যেনেকৈ কলাগুৰু বিষ্ণু ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু বাৰ্ষিক পালন কৰি অহা হৈছে, অসম আন্দোলনৰ পাছত আছুৰ নেতৃত্বত আৰু অধিক প্ৰসাৰতা লাভ কৰিছে। উল্লেখ্য যে সৰুসজাইত অনুষ্ঠিত বাগুৰুম্বা দহৌ অনুষ্ঠানত অংশ লৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুন্দৰৰ পূজাৰী, মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত মূৰ দোৱাই শ্ৰদ্ধা জ্ঞাপন কৰে।

# ৰাজ্য চৰকাৰৰ ২০২৬বৰ্ষৰ শিল্পী বঁটা ঘোষণা





ৰঙিলী বাৰ্ত্তাসেৰা- অসম চৰকাৰৰ ২০২৬ বৰ্ষৰ শিল্পী বঁটা ঘোষণা। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া কমপ্লেক্সত এক সংবাদমেল সম্বোধন কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই শিল্পী বঁটাৰ লগতে নটসূৰ্য ফণী শৰ্মা বঁটা, বিজু ফুকন বঁটাকে ধৰি কেইবাটাও বঁটা ঘোষণা কৰে। বিশিষ্ট সংগীত শিল্পী প্ৰয়াত সমৰ হাজৰিকা (মৰণোত্তৰভাৱে) আৰু ধনদা পাঠককে আগবঢ়োৱা হৈছে ২০২৬ বৰ্ষৰ 'শিল্পী বঁটা'। অহা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হ'বলগীয়া বঁটা প্ৰদান অনুষ্ঠানত দুয়োগৰাকীকে শিল্পী বঁটা প্ৰদান কৰা হ'ব। এই বৰ্ষৰ 'শিল্পী বঁটা'ত বঁটাৰ সৈতে নগদ ২ লাখ ( চাৰিপৃষ্ঠাত চাওক)

# অৱশেষত ড'নাল্ড ট্ৰাম্পে পালে শান্তিৰ নোবেল বঁটা



ৰঙিলী বাৰ্ত্তাসেৰা- অৱশেষত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে পালে শান্তিৰ নোবেল বঁটা। নোবেল শান্তি পুৰস্কাৰৰ বাবে মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীৰ যি হাবিয়াস আছিল, সেয়া তেওঁৰ নেৰানেপেৰা আগ্ৰহৰ বাবে যেন অৱশেষত লাভকৰিলে। ভেনিজুৱেলাৰ বিৰোধী নেত্ৰী মাৰিয়া ক'ৰিনা মাছাডোৱে ২০২৫ বৰ্ষত যি শান্তিৰ নোবেল বঁটা লাভ কৰিছিল তাক তেওঁ ট্ৰাম্পৰ নামত উছৰ্গা কৰিছিল। বৃহস্পতিবাৰে হোৱাইট হাউছত ৰাষ্ট্ৰপতি ট্ৰাম্পক সাক্ষাৎ কৰি এই সন্মানীয় বঁটাটি তেওঁৰ হাতত তুলি দি যেন ( দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ বানীপুৰ শাখা

লোকসকলে আসন গ্ৰহণ কৰাৰ পিছতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখা সভাৰ সম্পাদিকা ড° দিব্যজ্যোতি বৰাই। পৰৱৰ্তী কাৰ্যসূচী হিচাপে বন্তি প্ৰজ্বলন কৰা হয়। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তৰুণ কুমাৰ গগৈ, অমৃত কুমাৰ শইকীয়া, দীপক কুমাৰ দত্ত। ইন্দ্ৰ গগৈয়ে ৰূপকোঁৱৰৰ জীৱন আৰু কৰ্ম সম্পৰ্কে সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। পৰৱৰ্তী কাৰ্যসূচীত বাণীপুৰ মহিলা সমিতিৰ সদস্যকলে সমবেত সংগীত, জ্যোতি সংগীত, কবিতা আবৃত্তি, নৃত্য ইত্যাদি প্ৰদৰ্শন কৰে।বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শন সম্পৰ্কে আলোকপাত কৰি সকলোকে আপ্লুত কৰে। এই সভাতেই (স্বৰ্ণ শাখাৰ) মৰ্যাদা পাবলৈ গৈ থকা বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্যসকলক (স্নেহপত্ৰ) প্ৰদান কৰা হয়। সম্পাদক ড° দিব্যজ্যোতি বৰাই আগবঢ়োৱা কৃতজ্ঞতা জ্ঞাপনেৰে অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। অনুষ্ঠানত তৰুণ কুমাৰ গগৈ, ইন্দ্ৰ গগৈ, দীপক দত্ত, পদ্মা শইকীয়া খনিকৰ, অমৃত কুমাৰ শইকীয়া, বাণীপুৰ মহিলা সমিতিৰ সভানেত্ৰী হিৰণ্য দত্ত (উষা), বাণীপুৰ মহিলা সমিতিৰ সম্পাদিকা পূৰবী চাংমাই বৰুৱাসহিতে প্ৰায় শতাধিক ব্যক্তি উপস্থিত থাকি শিল্পী দিৱস উদযাপন সাফল্যমণ্ডিত কৰি তোলে।

# ৬ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনি



ৰঙিলী বাৰ্ত্তাসেৰা- শুকুৰবাৰে সন্ধিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভযোগে ৰাইজক সম্বোধন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ফেচবুক লাইভযোগে কেতবোৰ গুৰুত্বপূৰ্ণ কথা ঘোষণা কৰে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰে ঘোষণা কৰা এটি কলি দুটি পাত আঁচনিখন অহা ২৫ ফেব্ৰুৱাৰীত ডুমডুমা সমষ্টিৰ পৰা মুকলি কৰা হ'ব বুলি কয়। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ ৬ লাখ চাহ শ্ৰমিকক এককালীনভাৱে আগবঢ়োৱা হ'ব ৫ হাজাৰ টকাকৈ। আনহাতে মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে ৬ ফেব্ৰুৱাৰীৰ পৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিখনো মুকলি কৰা হ'ব বুলি ঘোষণা কৰে। এই আঁচনিৰ জৰিয়তে ৭৫ হাজাৰ যুৱকে পাব ২ লাখ টকাকৈ। আনহাতে ১১ ফেব্ৰুৱাৰীত শুভাৰম্ভ কৰা হ'ব জীৱন অনুপ্ৰেৰণা আঁচনি। স্নাতক উত্তীৰ্ণসকলক পূৰ্বে ঘোষণা কৰা অনুসৰি ৰাজ্য চৰকাৰে আগবঢ়াব আৰ্থিক সাহায্য। মুখ্যমন্ত্ৰীয়ে ইয়াকো ঘোষণা কৰে যে অহা ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সকলোধৰণৰ নিযুক্তি সম্পন্ন কৰা হ'ব আৰু ১৫ ফেব্ৰুৱাৰীৰ পৰা ৰাজ্যৰ কৃষকসকলৰ বাবেও গ্ৰহণ কৰা হ'ব এক আঁচনি। একেদৰে ২০ ফেব্ৰুৱাৰীত অৰুণোদয় হিতাধিকাৰীয়ে লাভ কৰিব ৮ হাজাৰ টকাকৈ। ফেব্ৰুৱাৰী মাহতে গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মাণ হৈ থকা ব্ৰহ্মপুত্ৰৰ দলংখনো মুকলি কৰা হ'ব আৰু গুৱাহাটীৰ চানমাৰি-নুনমাটি উৰণ সেতুখনো মুকলি কৰা হ'ব। ফেচবুক লাইভযোগে ( দহ পৃষ্ঠাত চাওক)

# সৰুসজাই ষ্টেডিয়ামত চূড়ান্ত আখৰা পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৰা- গুৱাহাটীৰ সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত অসমৰ সাংস্কৃতিক ইতিহাসত এক সোণালী অধ্যায় ৰচনা কৰিবলৈ সাজু হোৱা বাগৰুম্বা দহো-২০২৬ৰ চূড়ান্ত আখৰা প্ৰত্যক্ষ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শিল্পীসকলৰ মাহজোৰা কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে মেগা বিহু আৰু ঝুমইৰৰ বিশ্বজোৰা সফলতাৰ পিছত এতিয়া বড়ো জনগোষ্ঠীৰ গৌৰৱোজ্জ্বল বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত উপস্থাপন কৰিবলৈ অসম সাজু হৈছে। আখৰাস্থলীত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শনিবাৰে অনুষ্ঠিত হ'বলগীয়া এই বিশাল সাংস্কৃতিক অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ১০,০০০ ৰো অধিক শিল্পীয়ে একেলগে বাগুৰুম্বা নৃত্য প্ৰদৰ্শন কৰি এক ইতিহাস ৰচনা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৰিমামণ্ডিত উপস্থিতিত এই কাৰ্যসূচী উদযাপন কৰা হব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত বাগুৰুম্বা নৃত্যত ভাগ লোৱা প্ৰতিগৰাকী শিল্পীকে ২৫ হাজাৰ টকাকৈ ( নপৃষ্ঠাত চাওক)

# দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ প্ৰধানমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৰা- উন্নয়নৰ বাৰ্তা লৈ দুদিনীয়া কাৰ্যসূচীৰে শনিবাৰে অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া প্ৰায় ৫ বজাত গুৱাহাটী বিমানবন্দৰত অৱতৰণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনতেই অসমৰ বাগুৰুম্বাই ইতিহাস ৰচিব। বিধানসভাৰ নিৰ্বাচনলৈ মাজত মাথোঁ আৰু দুটা মাহ বাকী থকাৰ সময়তে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় সাত হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া অভিলাষী কাজিৰঙা এলিভেটেড প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনক কেন্দ্ৰ কৰি সৰুসজাই ষ্টেডিয়াম আৰু কলিয়াবৰত মৌচন্দা পথাৰত নৰেন্দ্ৰ মোদীক আদৰাৰ চলিছে ব্যাপক যো-জা। উল্লেখ্য যে শনিবাৰে বিয়লি ভাগত উপস্থিত হ'ব লগা প্ৰধানমন্ত্ৰী মোদীয়ে সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত বড়ো জনগোষ্ঠীৰ চহকী ঐতিহ্যক বিশ্বদৰবাৰত স্থাপন কৰাৰ লক্ষ্যৰে সাংস্কৃতিক অনুষ্ঠান বাগুৰুম্বা দহৌ ২০২৬ত অংশগ্ৰহণ কৰিব। এই বিশাল অনুষ্ঠানত বড়ো সম্প্ৰদায়ৰ ১০ হাজাৰৰো অধিক শিল্পীয়ে একক-সমন্বিতভাৱেই বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব। ৰাজ্যখনৰ ২৩খন জিলাৰ ৮১টা বিধানসভা সমষ্টিৰ শিল্পীয়ে অংশগ্ৰহণ কৰিব লগা এই অনুষ্ঠান প্ৰধানমন্ত্ৰী মোদীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো উপভোগ কৰিব। উল্লেখ্য যে বড়ো সম্প্ৰদায়ৰ অন্যতম লোকনৃত্য বাগুৰুম্বা নৃত্যৰ মূল উদ্দেশ্য হ'ল- মানৱ জীৱন আৰু প্ৰাকৃতিক জগতৰ মাজত সমন্বয় প্ৰতিফলন কৰা। পৰম্পৰাগতভাৱে যুৱতীসকলে পৰিৱেশন কৰা এই নৃত্যত বড়ো যুৱতীসকলে খাম, ছেৰজা, ছিফুং, জথা আৰু জাপশ্ৰীঙৰ তালে তালে এক অপৰূপ দৃষ্টিনন্দন শৈলীৰে বাগুৰুম্বা নৃত্য উপস্থাপন কৰিব। ইয়াৰ পূৰ্বে বিহু বিনন্দীয়া আৰু ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ ( দহ পৃষ্ঠাত চাওক)

# ৬৬.৭৫ শতাংশ হিন্দু ভোটাৰৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰথম পছন্দ ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- সমাগত অসম বিধানসভাৰ নিৰ্বাচন। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধী সকলোৰে মাজত বৃদ্ধি পাইছে নিৰ্বাচনী তৎপৰতা। বিধানসভা নিৰ্বাচনৰ প্ৰাক্কণত ভোট ভাইবে প্ৰকাশ কৰা এক সমীক্ষাত অসমৰ ৰাজনীতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ পাইছে। ভোট ভাইবৰ সমীক্ষা অনুসৰি, মুখ্যমন্ত্ৰী হিচাপে অসমৰ ৰাইজৰ প্ৰথম পছন্দ ড° হিমন্ত বিশ্ব শৰ্মা। ৬৬.৭৫ শতাংশ হিন্দু লোকেই মুখ্যমন্ত্ৰী হিচাপে বিচাৰে ড° হিমন্ত বিশ্ব শৰ্মাক। লক্ষণীয়ভাৱে ভোট ভাইবৰ সমীক্ষাত মাত্ৰ ২৫ শতাংশ লোকৰহে মুখ্যমন্ত্ৰীৰ পদত পছন্দৰ প্ৰাৰ্থী গৌৰৱ গগৈ। মন কৰিবলগীয়া যে সমীক্ষাটোত আন কেতবোৰ আকৰ্ষণীয় তথ্য প্ৰকাশ পাইছে। সেই অনুসৰি ৰাজ্যৰ ৬৩ শতাংশ অনুসূচিত জাতিৰ লোকে মুখ্যমন্ত্ৰী হিচাপে বিচাৰে ড° হিমন্ত বিশ্ব শৰ্মাক। আনহাতে ৩০ শতাংশ অনুসূচিত জাতিৰ লোকে গৌৰৱ গগৈক মুখ্যমন্ত্ৰী হিচাপে বিচাৰে। একেদৰে অনুসূচিত জনজাতিৰ ( নপৃষ্ঠাত চাওক)

# দক্ষিণ কোৰিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতিক ৫ বছৰৰ কাৰাদণ্ড



ৰঙিলী বাৰ্তাসেৱা- দক্ষিণ কোৰিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতি য়ুন চুক য়লক ৫ বছৰৰ কাৰাদণ্ড। সামৰিক আইন জাপি দিয়াৰ সৈতে জড়িত কিছুমান অভিযোগত দক্ষিণ কোৰিয়াৰ এখন আদালতে তেওঁক পাঁচ বছৰৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। তেওঁক মৃত্যুদণ্ড দিয়াৰ বাবেও প্ৰশ্ন উত্থাপন কৰে বিৰোধী আইনজীৱীসকলে। এই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব অহা মাহত। ২০২৪ চনৰ শেষৰ ফালে য়ুনে জাৰি কৰা সামৰিক আইন জাপি দিয়া আৰু অন্যান্য অভিযোগক লৈ হোৱা আঠটা অপৰাধমূলক বিচাৰৰ বিৰুদ্ধে এইটো প্ৰথম ৰায়দান । উল্লেখ্য যে ২০২৪ চনৰ ডিচেম্বৰ মাহত হ্ৰস্বকালীনভাৱে সামৰিক আইন জাপি দিয়াৰ পিছত য়ুনৰ বিৰুদ্ধে অভিযোগনামা দাখিল, গ্ৰেপ্তাৰ আৰু ৰাষ্ট্ৰপতি পদৰ পৰা বৰ্খাস্ত কৰা হৈছিল ।

# 'প্ৰান্তিক'ৰ সম্পাদক প্ৰদীপ বৰুৱাৰ দেহাৱসান



ৰঙিলী বাৰ্তাসেৱা- মাঘ বিহুৰ আনন্দ-উলাহৰ মাজতে অসমীয়াই হেৰুৱালে আন এগৰাকী সু-সন্তানক। উৰুকাৰ দিনা ৰাজ্যবাসীয়ে হেৰুৱাইছিল শিল্পী সমৰ হাজৰিকাক। তাৰে পৰৱৰ্তী দিনটোতে আন এগৰাকী অসম সন্তানৰ দেহাৱসান ঘটে। অসমীয়া জাতীয় জীৱনক মহীয়ান কৰি সংবাদ-সাহিত্য ক্ষেত্ৰখনলৈ অতুলনীয় অৱদান আগবঢ়াই অহা 'প্ৰান্তিক' আলোচনীৰ ৰূপকাৰ প্ৰদীপ বৰুৱাই ১৪ জানুৱাৰীৰ সন্ধিয়া ৭.২৭ বজাত মহানগৰীৰ এক বেচৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। অসমৰ সংবাদ-সাহিত্য ক্ষেত্ৰখনক এক নতুন মাত্ৰা প্ৰদান কৰা 'প্ৰান্তিক'ৰ মাজেৰে বহু নবীন লেখক-লেখিকাক আত্মপ্ৰকাশৰ সুযোগ দি প্ৰতিভাশালী লেখকৰ সৃষ্টি আৰু এচাম মূল্যবোধসম্পন্ন ৰুচিশীল পাঠক গঢ়াত উল্লেখনীয় অৱদান আগবঢ়াই সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কনিষ্ঠ পুত্ৰ প্ৰদীপ বৰুৱাই এক নতুন যুগৰ সূচনা কৰিছিল। বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাৰ বাবে গুৱাহাটী মহানগৰীৰ ডাউন টাউন হাস্পতালত ভৰ্তি হৈ আছিল বিশিষ্ট সাংবাদিকগৰাকী। মৃত্যুৰ সময়ত প্ৰদীপ বৰুৱাৰ বয়স হৈছিল ৮৭ বছৰ । সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা আৰু লিলি বৰুৱাৰ কনিষ্ঠ পুত্ৰ প্ৰদীপ বৰুৱাৰ জন্ম হৈছিল ১৯৩৮ চনৰ ৩ ছেপ্টেম্বৰত ডিব্ৰুগড়ৰ আমোলাপট্টিত। ডিব্ৰুগড়তে শৈশৱ পাৰ কৰা প্ৰদীপ বৰুৱাক পৰৱৰ্তী সময়ত পিতৃ ৰাধাগোবিন্দ বৰুৱাই গুৱাহাটীৰ ডনবস্ক' বিদ্যালয়ত নামভৰ্তি কৰাই দিয়ে। তাৰ পৰা ১৯৫৬ চনত মেট্ৰিকত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কটন কলেজত তেওঁ আইএছচিত নামভৰ্তি কৰে। কটন কলেজত পঢ়ি থকা সময়তে প্ৰথম বাৰ্ষিকত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে তেওঁ নিৰ্বাচিত হৈছিল। ১৯৫৮ চনত কটন কলেজৰ পৰা ( নপৃষ্ঠাত চাওক)

# ঝাৰখণ্ডত জামুগুৰিহাটৰ কৈলাস নাথক নৃশংসভাৱে হত্যা দুৰ্বৃত্তৰ



ৰঙিলী বাৰ্তাসেৱা- পুনৰ বহিঃৰাজ্যত অসমৰ যুৱকক হত্যা। শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বামুনবাৰী সৰুফলীয়া গাঁৱৰ এজন যুৱকক বহিঃৰাজ্য ঝাৰখণ্ডত নৃশংসভাৱে হত্যা কৰা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্যমতে বহিঃৰাজ্যত কৰ্মৰত কৈলাস নাথক ১২ জানুৱাৰীত দুৰ্বৃত্তই হত্যা কৰি পেলাই থৈছিল। উল্লেখ্য যে বহিঃৰাজ্যৰ কোম্পানীত ছিকিউৰিটী গাৰ্ড হিচাপে কৰ্মৰত হৈ থকা কৈলাস নাথ ৰৰ জানুৱাৰীত মাঘ বিহু উপলক্ষে নিজ গৃহলৈ বুলি ৰে'লযোগে আহি থকাৰ সময়তে দুৰ্বৃত্তই হত্যা কৰি ঝাৰখণ্ডৰ ৰাজখাৰচোৱা নামৰ এটা ৰে'ল ষ্টেচনৰ কাষত পেলাই থোৱা অৱস্থাত স্থানীয় আৰক্ষীয়ে উদ্ধাৰ কৰে। অৱশ্যে এই হত্যাকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও পোহৰলৈ অহা নাই যদিও পৰিয়ালৰ লোকে ৰে'লৰ ডবাৰ ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সৃজনীশীল সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানত গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় জিলা লেখিকা সমাজৰ অনুষ্ঠান আয়োজিত হৈ যায় ডিব্ৰুগড়ৰ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ১১ জানুৱাৰীত। এই উদ্দেশ্যে পুৱা ৰৰ বজাত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে ডি এইচ এছ কে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। দীপস্তোত্ৰ পৰিৱেশন কৰে ডিব্ৰুগড় জিলা লেখিকা সমাজৰ লৰিয়লি বাগ্মিতা গগৈয়ে। ডিব্ৰুগড় লেখিকা সমাজৰ সভাপতি মধুমিতা দত্তৰ সভাপতিৰ আদৰণিসূচক বক্তব্যৰ পিছতে সম্পাদক অনিতা গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানটিত লোকগীত পৰিৱেশন কৰে বাগ্মিতা গগৈয়ে। অনুষ্ঠানৰ মূল কাৰ্যসূচী গ্ৰন্থ উন্মোচনীত দুগৰাকীকৈ লেখিকা ক্ৰমে অৰ্চনা বড়াৰ কাব্যগ্ৰন্থঃ " অভ্ৰভেদী সুৰৰ মালিতা" আৰু "এমুঠি লিমাৰিক" শীৰ্ষক লিমাৰিকৰ এখনি সংকলন উন্মোচন কৰা হয়। অনুষ্ঠানতে উন্মোচন কৰা হয়ঃ লৰিয়লি বাগ্মিতা গগৈৰ কাব্যগ্ৰন্থঃ "চৰাই হোৱা হ'লে"। মুখ্য উন্মোচক হিচাপে আমন্ত্ৰিত ড° শশীকান্ত শইকীয়াৰ লগতে গ্ৰন্থ উন্মোচন কাৰ্যসূচীত অংশ গ্ৰহণ কৰে আমন্ত্ৰিত ( নপৃষ্ঠাত চাওক)

# ৰাজ্য চৰকাৰৰ ২০২৬

টকা প্ৰদান কৰা হ'ব। বিশিষ্ট সাহিত্যিক মনেশ্বৰ বৰাক সন্মানীয় কৃষ্ণকান্ত সন্দিকৈ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। বিশিষ্ট শিক্ষাবিদ ড° অমলেন্দু চক্ৰৱৰ্তীক ২০২৫ বৰ্ষৰ গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা, বিশিষ্ট নাট্যশিল্পী কৰুণা ডেকাক ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা, বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা অৰূপ মান্নাক ২০২৫ বৰ্ষৰ ভবেন্দ্ৰনাথ শইকীয়া বঁটা আৰু অৱনী ৰঞ্জন পাঠকক ২০২৫ বৰ্ষৰ বিজু ফুকন বঁটাৰে সন্মানিত কৰা হ'ব। চৰকাৰে বঁটাৰ লগতে শিল্পীসকলৰ কল্যাণৰ বাবেও কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি সাংস্কৃতিক ক্ষেত্ৰৰ লগত জড়িত ১৭৬ গৰাকী শিল্পীক বছৰি ৮ হাজাৰ টকাকৈ বাৰ্ষিক শিল্পী সন্মান প্ৰদান কৰা হ'ব। এই সন্মানৰ বাবে নিৰ্বাচিত শিল্পীৰ ভিতৰত ৩ গৰাকী বিশেষভাৱে সক্ষম শিল্পী থাকিব। একেদৰে ৮৬ গৰাকী জ্যেষ্ঠ শিল্পীলৈ শিল্পী পেঞ্চন আগবঢ়োৱা হ'ব, ইয়াৰ ভিতৰত ৩গৰাকী বিশেষভাৱে সক্ষম শিল্পীও আছে। লগতে ২৬ গৰাকী প্ৰয়াত শিল্পীৰ পৰিয়ালক ফেমিলি পেঞ্চন দিয়া হ'ব। ইফালে ৫ গৰাকী প্ৰয়াত শিল্পীৰ পৰিয়ালক ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহাৰ্য প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে চৰকাৰে।

# ভাললগা আবেলিটো



ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়

আবেলিৰ সময়কণ বৰ প্ৰিয়,
অস্তমিত সুৰুযৰ সোণালী কিৰণ
জাকপাতি বাহলৈ উৰা চৰাইজাক
পোক-পৰুৱাৰ চিৰচিৰণিবোৰ
আৰু যে কত কি!
অশান্ত মনেও প্ৰতি আবেলিত শান্তি আঁজুৰে।
মন যায় অলপ সময়ৰ বাবে
ভাললগা আবেলিটো ধৰি ৰাখিবলৈ,
নোৱাৰিনে বাৰু?
কান্ধত জোলোঙা লৈ নদীৰ পাৰৰ
শিল বুটলা মুহূৰ্তবোৰ
হাবাথুৰি খালেও দৌৰি যায় নতুনত্ব বিচাৰি।
কেতিয়াবা মই তোমালৈ অপেক্ষা কৰোঁ
কেতিয়াবা তুমি মোলৈ !
সময়ে কালৈকো নকৰে অপেক্ষা
শক্তিশালী সময়ৰ তুলনাত নগণ্য মানৱ
সময়ৰ সোঁতত আবেলিটো ঘৰমুৱা হ'ল
প্ৰকৃতিৰ বুকুলৈ সন্ধ্যা নামিল।
কুলু-কুলু শব্দৰে নৈ বৈ যায়
টিক্-টিক্ কৰি সময়ো আগুৱাই
আবেলিৰ খোজত খোজ মিলাই
ঢাকি ধৰিল ধৰণী।
ভাললগা আবেলিটো মোৰ বাবে নাছিল
আছিল কোনোবা ক্ষণজন্মা জনৰ বাবে।

# নিতাল নিশা



দেৱজিত হাজৰিকা, নগাওঁ

নিতাল নিশা,
চেঁচা চেঁচা বতাহে
মোৰ নিস্তব্ধ হৃদয়খনক
লাহে লাহে জোকাৰি যায়।
অন্ধকাৰৰ বুকুত
জ্বলি উঠে কামনাৰ শলিতা,
হৃদয়ে বিচাৰে
এপিয়লা মৰমৰ মদিৰা।
বতাহে আহি
সোঁৱৰাই স্মৃতিলৈ,
পুৰণি স্বপ্নবোৰ
উমি উমি জ্বলি উঠে।
নিশাবোৰ নিতালেই থাকে,
আশাবোৰ ম্লান কৰিবলৈ
চেঁচা বতাহেও
হাৰ মানি যায়।।

# বাপতি সাহোন ভোগালী বিহু



বিহু তিনিটা অসমৰ জাতীয় উৎসৱ হোৱাৰ লগতে অসমীয়া জাতিৰ আয়ুস ৰেখা বুলি কয়। তিনিটা বিহু শস্যৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত আৰু পূৰ্বপুৰুষৰ দিনৰ পৰাই পালন কৰি আহিছোঁ। আমাৰ অসম এখন বহুল জাতি জনগোষ্ঠীয় ৰাজ্য হিচাপে প্ৰত্যেক জনগোষ্ঠীৰ পৰম্পৰা ৰীতি- নীতি ভাষা বেলেগ হ'লেও মূলতে আমি বৃহৎ অসমীয়া জাতি বুলিয়ে অনুভৱ কৰো। বিহুৰ লগতে অসমীয়া

অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

জাতিটোৰ লোক সংস্কৃতি থলুৱা শিল্প, উৎসৱ, খেল ধেমালি সকলো অন্তৰ্নিহিত হৈ আছে। বিহুৰ মাজেৰে আমি একতাৰ বান্ধোনৰ অনুভৱ কৰোঁ। যান্ত্ৰিকতাৰ জীৱনত সকলো ব্যস্ত থাকে কিন্তু বিহু উৎসৱ আদিৰ মাজেৰে আপোনসকলৰ সৈতে এখন্তেক মিলিত হ'বলৈ সময় পাই হাঁহি ধেমালিৰে এসাজ খায়। প্ৰতিটো বিহুৰ একোটা নিজস্ব বৈশিষ্ট্য আছে। ডাঙৰক সন্মান শ্ৰদ্ধা কৰা লগতে সৰুক মৰম আদিৰ নীতি-শিক্ষাও বিহু তিনিটাতে সোমাই আছে। এয়া পূৰ্বপুৰুষৰ পৰা চলি আহিছে চলি থাকিব।

এই বিহু তিনিটাৰ অন্যতম ভোগৰ ভোগ মাঘ বিহুক ভোগালী বিহু বুলি কয়। পুহ মাহৰ সংক্ৰান্তীৰ দিনাৰ পৰাই মাঘ বিহু আৰম্ভণি হয়। মাঘ বিহুক ভোগৰ বিহু এই কাৰণে কোৱা হয়, এই সময়ত শস্যৰ চাৰিওফালে উভৈনদী হয় ভঁৰালত লখিমী পৰিপূৰ্ণ। পুখুৰীৰ মাছ, গাখীৰ , শাক-পাচলিৰ অভাৱ নাথাকে। (বাৰপৃষ্ঠাত চাওক)

# প্ৰি-বিহুৰ প্ৰস্তুতি

স্বাগতা বৰুৱা গোস্বামী



চিঙ্কী উঠা উঠা, ভেনৰ আংকল আহি পাবহিয়েই এতিয়া বুলি মাকে চিঙ্কীক জগাইছে। এনেতে চিঙ্কীয়ে মাকক কৈছে অ' মা এই ঠাণ্ডা দিনকেইটা কেলেণ্ডাৰৰ পৰা আঁতৰাই দিব নোৱাৰিনে? মাকে বোলে কিয়? ঠাণ্ডাত যে উঠিবলৈ য়ে মন নাযায় সেইকাৰণে দ্ৰুতনেতে দেউতাকে মাত লগালে ঠাণ্ডা নাই মানে গ্ৰন্থমেলা নাই, বনভোজ নাই, কুঁৱলী নাই, দীঘল ৰাতি নাই আৰু কম্বলৰ তলৰ আমেজ নাই।

দেউতা তুমি কিন্তু আৰু এটা কথা পাহৰিছা দেই, কি পাহৰিছোঁ বাৰু? মাঘৰ বিহু কথা নকলাই দেখোন। হয় হয় দিয়া sorry sorry মই পাহৰিছিলোৱেই। অ'দেউতা মাঘৰ বিহুক কিয় ভোগালী বিহু কয় নো?? মোক অকনমান মাঘৰ বিহুৰ কথা কৈ দিবানেকি? স্কুলত মিচকে প্ৰি-বিহু উদযাপনৰ দিনা বিহুৰ বিষয়ে অলপ ক'বলৈ কৈছে। হয়নেকি প্ৰথমে পানী গিলাচ খাই মুখখন ধুই লোৱা তাৰপিছত গা-ধুই ভাত খাই থাকোতে মই অলপমান তোমাক কৈ দিম দেই।

অলপ সময়ৰ পাছত দেউতা মই ready হৈ গ'লো, এতিয়া কোৱা।শুনা আঘোণ- পুহ মাহতে কৃষিজীৱি লোকে ধান চপাই ভঁৰাল নতুন ধানেৰে পুৰ কৰে। বাৰীত শাক-পাচলি উভয়নদী হয়। ৰঙা আলু, কাঠ আলু, মোৱা আলুৰ দৰে বিভিন্ন আলু হয়। ৰঙা আলু! সেইটো দেখোন খোৱাই নাই। তেনেতে মাকে বোলে চিঙ্কী তুমি পাহঁৰিছা। মই যে যোৱাবাৰ লালমোহন বনাইছিলো। তুমিযে ভাল পাইছিলা সেই আলুটো আকৌ। এই আলুটো পোৰিও খাই । তুমি যে তেলত ভাজি দিলে ভাল পোৱা কাঠ আলু সেইটো এই বিহুতেই ওলায়। এতিয়া আকৌ দেউতাৰ পৰা শুনা। সকলোৱে পিঠা-লাৰু, সান্দহ, চিৰা আদিৰে ঘৰ ভৰাই ৰাখে। পুখুৰীত মাছ কেইজনীয়েও মোক খা মোক খা কৰে মুঠৰ ওপৰত বস্তু উভয় নদী হোৱাৰ কাৰণে মাঘ বিহুক ভোগালী বিহু বুলি কয়। তাৰ উপৰিও মাঘৰ বিহুৰ সকলোতকৈ ভাল লগা পৰম্পৰা হৈছে মেজি; লোৱা প্ৰথা। মেজি জ্বলাবলৈ কাঠ বা খেৰৰ ওখ দ'ম লাগে। বহু ঠাইত এনে মেজি কলগছৰ শুকান পাত, নৰা আদিৰে তৈয়াৰ কৰে। মাঘ বিহুৰ উৰুকাৰ নিশা মেজি জ্বলাই ভেলাঘৰত ভোজ ভাত খাই আনন্দ কৰে আৰু পিছদিনা মেজি জ্বলাই অগ্নি দেৱতাক পূজা কৰে যাতে বছৰ তৌলৈ বিভিন্ন অপায়-অমঙ্গলৰ পৰা সকলোকে আতঁৰাই ৰাখে। মেজিক সেৱা কৰা মন্ত্ৰটো তোমাৰ মনত আছেনে? অলপ আছে বাকী পাহৰিছো। শুনা তেনেহ'লে

অগ্নি প্ৰজলিতং বন্দে
চতুৰ্বেদং হুতাশনং
সুবৰ্ণ বৰ্ণ মমলং জ্যোতি
ৰূপায়তে নমঃ।

তাৰোপৰি মাঘ বিহুত ঠায়ে ঠায়ে কণী যুঁজ, মহ যুঁজ, বুলবুলি যুঁজ, কুকুৰা যুঁজ আদি খেল-ধেমালি পতা দেখা যায়। মুঠৰ ওপৰত মাঘৰ বিহু মানে আনন্দৰ বিহু।বিহুয়ে সকলোলৈকে লৈ আনে মৰম চেনেহ আৰু মিলাপ্ৰীতি। শেষত সকলোলৈকে ভোগালী বিহুৰ শুভেচ্ছা জনালোঁ বুলি কৈ দিবা। এনেতে ঘৰৰ পদুলীত গাড়ীৰ হৰ্ণৰ শব্দ। চিঙ্কী আহা আংকল আহিছে। অ'গৈছো মা বুলি চিঙ্কীয়ে মাক-দেউতাকক হাতখন জোকাৰি বাই বাই বুলি গাড়ীত উঠিলেগৈ।

# ঈশ্বৰৰ সন্ধানত

কবিতা শৰ্মা,
নতুন দিল্লী



পৃথিৱীৰ আটাইতকৈ বেছি বিবাদীয় বিষয় সমূহ যদি চোৱা যায়, তেন্তে তাৰ ভিতৰত অতি চৰ্চিত বিষয় হৈছে- ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় বিবাদসমূহ। ঈশ্বৰৰ অস্তিত্ব এক চিৰন্তন দাৰ্শনিক প্ৰশ্ন, যাৰ উত্তৰ মানৱজাতিয়ে সৃষ্টিৰ আৰম্ভণিৰ পৰাই বিচাৰি আহিছে। পৃথিৱীৰ কিছুসংখ্যক লোকে বিশ্বাস কৰে যে, ঈশ্বৰৰ অস্তিত্ব আছে। তেওঁলোকে ঈশ্বৰক বিশ্বৰ সকলো জীৱ-নিৰ্জীৱ পদাৰ্থ সমূহৰ পৰা সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা আৰু সৰ্বশক্তিমান সত্তা হিচাপে বিবেচনা কৰে। আনহাতে কিছুসংখ্যকে ভাবে যে ঈশ্বৰ নামৰ এনে কোনো উচ্চতৰ সত্তা নাই। দৃষ্টি- শ্ৰৱণ- ঘ্ৰাণ-স্বাদ-স্পৰ্শজনিত আমাৰ ইন্দ্ৰিয়গ্ৰাহ্য অনুভৱৰ ভিত্তিত কোনো ৰূপ-ধ্বনি-আকাৰ- আকৃতি -সংস্পৰ্শ বা সংযোগৰ দ্বাৰা ঈশ্বৰৰ স্থিতি সাব্যস্ত কৰিব নোৱাৰি। "ঈশ্বৰ" যে আছে - ইয়াৰ কোনো ভৌত প্ৰমাণ নাই। ঈশ্বৰ আছে বা নাই দাবী কৰা বৈজ্ঞানিক নহয়। সেয়েহে ঈশ্বৰ আছে -এনে বা নাই এয়া আমি নিজেই বাচি লব লাগিব।

বিভিন্ন ধৰ্ম তথা ধৰ্মচাৰণ পদ্ধতি বোৰৰ সৃষ্টি হৈছে ঈশ্বৰক কেন্দ্ৰ কৰিয়েই। ভিন-ভিন ধৰ্মৰ লোকে ঈশ্বৰ, আল্লা, গড, নানক, বুদ্ধ আদি বিভিন্ন নামেৰে ঈশ্বৰৰ নামাকৰণ কৰিছে। ঈশ্বৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এই ধৰ্মৰ মাজতো আকৌ বিশাল প্ৰাৰ্থক্য দেখা যায়। এটা ধৰ্মৰ ঈশ্বৰে যদি কোৰবানি কৰিলে সুখী হয়, আনটো ধৰ্মই আকৌ জীৱহত্যা মহাপাপ বুলি গন্য কৰে। এটা ধৰ্মৰ মতে যদি মূৰ্তি পূজা আৰু বলি বৈধ, আনটো ধৰ্মৰ বাবে সি মহা অপৰাধ। এটা ধৰ্মৰ বাবে যদি গোমাংস অখাদ্য বা পাপ, আন এটাৰ বাবে নহয়। তাৰোপৰি ঈশ্বৰৰ সৰ্বজন গ্ৰাহ্য সংজ্ঞা বিচাৰি ধৰ্ম গ্ৰন্থ সমূহলৈ চালেও পোৱা যায় স্ববিৰোধিতাৰে ভৰা নানানটা সংজ্ঞা। তথাপিও প্ৰায় ভাগ মানুহেই ঈশ্বৰৰ অস্তিত্বক আওকাণ কৰিব নোৱাৰে বা নোখোজে, কাৰণ সৰুৰে পৰাই আমাৰ ঘৰ আৰু শিক্ষা অনুষ্ঠান সমূহৰ পৰা আমাৰ মনত এনে কিছুমান ধাৰণা সোমাই গৈছে যে, তাৰ পৰা মুক্ত হোৱা আমাৰ কাৰণে প্ৰায় অসম্ভৱ। গতিকে বিশ্বাস আৰু যুক্তিৰ দোমোজাত বহুতৰে মনত ঈশ্বৰ সম্বন্ধে বহুতো প্ৰশ্নৰ অৱতাৰণা হয়। ঈশ্বৰক বিশ্বাস কৰা সকলৰ বাবেও কিন্তু বিশ্বাস কৰাটোৱেই যথেষ্ট নহয়। বৰং মানুহে কেনে ধৰণৰ মানসিকতা, উদ্দেশ্য, প্ৰবৃত্তি, উপলব্ধি, জ্ঞানেৰে ঈশ্বৰৰ ভাবমূৰ্তি মনলৈ আনে, শ্ৰদ্ধা ভক্তি কৰে, প্ৰাৰ্থনা- উপাসনা কৰে, বিশ্বাস-নিৰ্ভৰ কৰে আদিহে গুৰুত্বপূৰ্ণ কথা। ঈশ্বৰে আমাৰ পৰা কি বিচাৰে বা নিবিচাৰে সেই উপলব্ধি নিৰ্ভৰ কৰিব- আমাৰ বৌদ্ধিক, নৈতিক, মানসিক, আনুভূতিক, সামাজিক, সাংস্কৃতিক, পাৰিবাৰিক, পাৰিপাৰ্শ্বিক অৱস্থা বা পৰ্যায়টোৰ ওপৰত । সজ উদ্দেশ্য আৰু আচৰণৰ জৰিয়তেহে ঈশ্বৰৰ মহত্ব উপলব্ধি কৰিব পাৰি।

আগলৈ...

# বিশ্বশিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ



যমুনা দুলু বৈশ্য, গুৱালকুছি

বিশ্বশিল্পী
আলোকযাত্ৰাৰে
এন্ধাৰ নাশি,
দি গ'লা বীৰত্বৰে ধৰণীত
পোহৰৰ জ্যোতি ।
হে, মহানশিল্পী
সুন্দৰৰ পূজাৰী
অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ
ভেটি গঢ়ি...
কবিতা, নাটক, প্ৰবন্ধ, শিশুসাহিত্য
দি গ'লা ...বহু অৱদান ।
হে যুগজয়ী,
শিল্পী প্ৰণামিছো শতবাৰ
ৰূপান্তৰে গঢ়িলা
নতুন দৃষ্টিৰে
সুৰৰ ঝংকাৰ তুলি
সৃষ্টিৰ অপূৰ্ব সংগীত
বিশ্বজুৰিৰে নাৰাখিলা
জাতি, ধৰ্ম উচ্চ নীচ
কোনো ভেদা-ভেদ,
প্ৰতিজন জনতাৰ মাজত আদৰ্শ
হৈ ৰ'লা —তিনিওকালৰ
নসৃষ্টিৰ —অতীত, বৰ্তমান, ভৱিষ্যতৰ
প্ৰচাৰিত অৰুণ বাণী,
তোৰে মোৰে মুখৰিত দিশে
জগাই তুলিলা বিপ্লৱী প্ৰাণ ।

# ৰজা

মালা বৰুৱা



এখন দেশত এক ৰজা আছিল।
সৰু সৰু মানুহৰ দুখে তেওঁৰ হিয়া চুইছিল।
তেওঁৰ এখাৰ মাত, অকণমান গুণগুণ সুৰৰ মায়াত
লৰা, বুঢ়া, লগৰীয়া গোটেই ৰাইজখন বলিয়া আছিল।
দেশখনৰ মানুহবোৰে শেষ আশা বুলি তেওঁকেই ধিয়াইছিল।
কাৰোবাৰ হাতত যদি উন্নত চিকিৎসাৰ আবেদন
কাৰোবাৰ আকৌ সুস্থিৰ এক ভৱিষ্যৎৰ প্ৰয়োজন।
তেওঁৰ নাছিল কোনো ৰজা হোৱাৰ আনুষ্ঠানিক দীক্ষা,
অথবা ৰজা হম বুলি কৰা অনন্ত প্ৰতীক্ষা।
তেওঁ এখন দেশৰ ৰজা আছিল
যত তেওঁৰ অনুৰাগী, অমিয়া প্ৰেমত বন্দী
গকুলৰ গোপ যেন, বৃন্দাবনৰ ৰাধাজেন
এসাগৰ প্ৰজা আছিল,
তেওঁলোকৰ বুকুজুৰি ৰজাৰ বাবে বাবে হেজাৰ ৰাজদৰবাৰ আছিল।
সেই ৰজাৰ বুকুত সহস্ৰযোজন জোৰা এখন দেশ আছিল।
সেইদেশৰ ৰজাৰ কোনো জাতি নাছিল, কোনো ধৰ্ম নাছিল, তেওঁ
মুক্ত, কাঞ্চনজংঘাৰ উচ্চ
শিৰ আছিল।
ৰজাৰ ৰাজকোষত মাথোঁ,
শব্দ, গান আৰু সুৰৰ বন্যা।
মৰমৰ জোনাক আৰু শক্তিৰে ভৰপূৰ ৰদালী পুৰা।
চহকী হাতেৰে বিলাইছিল - কাক কিমান লাগে লোৱা।
যিমানে বিলালে সিমানে চপালে
মৰমৰ সাগৰ, হেঁপাহৰ নদী আৰু শ্ৰদ্ধাৰ মেটমৰা ভাৰ।
পিছে এদিন....
আকাশখন গাতেলৈ
সাগৰ তলিত গুৱলে গৈ
ৰজা দেখোন নোহোৱা হল।
মানুহবোৰে আকাশক দুষিলে
নিৰ্বাক আকাশে হিয়া ঢাকুৰি কান্দিলে।
মানুহবোৰে সাগৰলৈ ও আঙুলি টোঁৱালে।
অলেখ ঢৌ বুকুতে সামৰি সাগৰখনে বেদনাৰ নীলাত মুখ লুকুৱালে।
আঁকৰা ৰইজখন ক্ৰুদ্ধ হৈ উঠিছে,
পগলা বতাহ এটা ৰুৰুৱাই জ্বলিছে।
ৰজা নোহোৱাৰ কাৰণ লাগে।
(কেঁচু খান্দোতে সাপ ওলাইছে!)
শোক এ দুঃখে জুৰুলা ৰজাৰ কুঁৱৰী এ নিজৰ সন্তাপ সামৰি দুহাত
জুৰি পাৰ্থনা কৰিছে,
" অবুজন নহব ৰাইজ,
ধেৰ কাম আছে --, ।
ৰজাই বিচৰা বৰ অসম খন গঢ়িবলে,
একেখন আকাশৰ তলত এক অভেদ্য দুৰ্গ গঢ়িবলে।"
এতিয়া ৰৈ ৰৈ বিনোৱা নিশাবোৰক
আশাৰ জোনাকী বোৰে কানে কানে কৈ গৈছে
অলপ সময় মাথোঁ, অলপ সময় -
প্ৰভাতী পখীৰ গুণ গুণ গানে পাখী মেলিছে
তাৰ লাহি ডেউকাই কুঁৱলী আঁতৰাই ন্যায়ক আদৰি আনি আছে।
ইয়াত এজন ৰজা আছিল,
উদাসীন ই, মধুসূদন আৰু কাজলী হতৰ যন্ত্ৰণাই তেওঁৰ চকু
সেমেকাইছিল।
সৰু সৰু মানুহবোৰৰ মৰমৰ ভৰত তেওঁ দো খাইছিল।
এখন দেশত এক ৰজা আছিল।
দৃপ্ত তেওঁৰ নাম আছিল।


সত্যমেৱ জয়তে
অসম চৰকাৰ
শ্ৰদ্ধাঞ্জলি আঁচনি
বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ
নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ
আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প'ৰ্টেলত উপলব্ধ
বৈশিষ্ট্যসমূহ
বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব
আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-
৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১
JANASANYOG- 4006/25/18-Jan-26
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# ভোগালীৰ গান



**প্ৰভাত বণিয়া**

শীতত ঠেঁটুৰৈ লগা পুৱাতেই নিহালি এৰি থৈ তিয়ালো শৰীৰ
মনবোৰ মুকলি হ'ল
ভাইটীয়ে গাইছে-- আম, জাম, কঠাল, লেতেকু, পনিয়ল
লাগ্ লাগ্ লাগ্ ঐ লাগনি গীত
আই পিতাইৰ চৰণ সেৱিলোঁ
ভেলা ঘৰ জ্বলালো মনৰ মলি
মাকতি সোপাই পুৰিলো, কণি যুঁজ খেলিলো
ভোগৰ উৎসৱ ণদী আমাৰ মাঘৰ ভোগালী বিহু
ম'হৰ দৈ, চিৰা, লাৰু, তিল-পিঠা,
পিঠা-চুঙা আৰু সান্দহ গুৰি কি যে মজা
ঘৰে ঘৰে চেনেহা চেনেহী
ঘৰে ঘৰে আমন্ত্ৰণ কিনো চাবা
কিমান খাবা
ৰাতি উৰুকাৰ লগে ভাগে এসাঁজ মাছ মঙহেৰে
জহা চাউলৰ ভাত
পিন্ধনত ধুতি চোলা গোসাঁই ঘৰত
ঈশ্বৰ প্ৰাৰ্থনা ৰাইজৰ গাওঁ সমিতিৰ বছৰেকীয়া হিচাপ
দাখিল আবেলি পথাৰত ধোপ খেল হাউ খেল
মেজি জ্বলাও উলাহত
দাউ দাউকৈ জ্বলি উঠা মেজিৰ লেলিহান জুইত
জাহ নিয়াও মনত বাঁহ লোৱা অসূয়া অহিতকৰ চিন্তা ভাৱনা
আনন্দত মতলীয়া হওঁ
বিহু আমাৰ ভোগালী
বিহু আমাৰ ৰঙালী
বজাৰ আৰু পথাৰ চিৰদিন আমাৰ
আমি খিলঞ্জীয়া জাতি অসমীয়া
মাঘত হ'ব বছৰে বছৰে ভোগৰ বিহু ভোগালী
গাম ভোগালীৰ গান।

# অস্তিত্ব ৰক্ষাৰ জিঘাংসাঃ এক সংঘাত

(১)



**ময়ূৰী বৰগোহাঁই,দশম শ্ৰেণী**
**জয়মতী উচ্চ মাধ্যমিক বিদ্যালয়,মাদুৰি, শিৱসাগৰ**

"লুইতৰ আকাশত তৰাৰ তৰাৱলী
পাৰত দীপাৱলী তেজেৰে মোৰ
আই নাকান্দিবি,
থাপনাত তেজেৰে বন্তি দিলেদি
সন্তানে তোৰ"

ৰূপান্তৰৰ শিল্পী জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ কালজয়ী গীতৰ মূৰ্চ্ছনাই যেন প্ৰেক্ষাগৃহত উপস্থিত থকা সকলোৰে মন-প্ৰাণ বাত্ময় কৰি অত্যন্ত হৃদয়স্পৰ্শী কৰি তুলিছে । সঁচাই, জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ প্ৰতিটো গীতৰ মূৰ্চ্ছনাই আমাক যেন দি যায় জীৱন জীয়াৰ মন্ত্ৰ ।

কি যে অপূৰ্ব কণ্ঠ আছিল সেয়া। আগৰৱালাদেৱৰ গীত আৰু কবিতাসমূহত প্ৰবাহিত গণমুক্তি আলোক চেতনা আৰু শিল্প চেতনাৰ চিৰন্তন ঢৌৰে প্ৰকৃতাৰ্থত সাংস্কৃতিক বিপ্লৱৰ দ্বাৰা গণমুক্তিৰ সপোন দেখিছিল আৰু ৰূপান্তৰৰ মাজেদি জগত জিনাৰ সপোন ৰচিছিল।

আজি ১৭ জানুৱাৰী, শিল্পী দিৱস। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ মৃত্যু তিথি। বহ্নিশিখাহঁতৰ ঘৰৰ কাষতে থকা সেউজ সংঘটো আজি প্ৰত্যেক বছৰৰ দৰে শিল্পী দিৱস পাতিছে । দিনৰ ভাগত কণ কণ শিশুসকলৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু জ্যোতি সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰিছে । লগতে আবেলিলৈ অঞ্চলটোৰ কিশোৰ-কিশোৰীসকলৰ দ্বাৰা জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ "লভিতা" নাটখন পৰিবেশন কৰোৱা হৈছে । দিনৰ প্ৰতিযোগিতাসমূহ অন্ত পৰাৰ পিছত সন্ধ্যাকৈ এটা সাংস্কৃতিক অনুষ্ঠানো ৰখা হৈছে ।

বহ্নিশিখা বৰুৱা, পেছাত অসমৰ এখন নাম জ্বলা মহাবিদ্যালয়ৰ এগৰাকী অধ্যাপিকা হোৱাৰ লগতে এগৰাকী সুদক্ষ লেখিকাও । শিক্ষকতাৰ বৃত্তিটোত জড়িত হোৱাৰ বেছি দিন হোৱা নাই যদিও কম সময়ৰ ভিতৰতে শিক্ষাৰ্থী সকলৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে । বহ্নিশিখাৰ ঘৰৰ কাষতেই অৱস্থিত এই সেউজ গৃহটো । অনুষ্ঠানটোৰ উদ্যোক্তাসকলে বহ্নিশিখাক সাংস্কৃতিক অনুষ্ঠানটোত চমুকৈ দুআষাৰ ক'বলৈ অনুৰোধ কৰিলে । বহ্নিশিখাই তেওঁলোকৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই অনুষ্ঠান পৰিবেশন কৰিবলৈ বুলি মঞ্চলৈ উঠি গ'ল -----

বহ্নিশিখাঃ নমস্কাৰ...পোনপ্ৰথমে আজি শিল্পী দিৱসৰ পবিত্ৰ ক্ষণত মঞ্চত উপবিষ্ট বিশিষ্ট অতিথিসকলকে প্ৰমুখ্য কৰি আজি এই মঞ্চ শুৱনি কৰা সকলোলৈকে মোৰ হৃদয়ৰ নিভৃত কোণৰ পৰা শ্ৰদ্ধা আৰু সেৱা নিবেদন জনাইছোঁ আৰু লগতে প্ৰত্যেকলৈকে শিল্পী দিৱসৰ শুভেচ্ছা জনালোঁ ।

আজি শিল্পী দিৱস। শিল্পী দিৱসৰ আজিৰ এই পবিত্ৰ ক্ষণত অসমৰ জনজীৱনক সমন্বয় তথা সম্প্ৰীতিৰ বিশাল ব্ৰহ্মপুত্ৰৰ চিৰপ্ৰবাহিত গতিত নিজকে বিলাই দি মানুহৰ মাজত প্ৰেম আৰু মানৱীয়তাৰ সৰগ ৰচা ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাক সশ্ৰদ্ধাৰে প্ৰণিপাত জনাইছোঁ ।

জীৱনৰ কেৱলমাত্ৰ ৪৮ বছৰীয়া চুটি জীৱনকালছোৱাত তেখেতে অসমীয়া জনজীৱনৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, সাহিত্য, সংগীত তথা কলা-সংস্কৃতিক যিধৰণে উজ্জীৱিত কৰি থৈ গৈছে তাৰ সঁচাকৈয়ে তুলনা নাই । আন্তৰ্জাতিক খ্যাতিসম্পন্ন জ্যোতিপ্ৰসাদ আগৰৱালা আছিল বৈপ্লবিক সত্তাৰে এক উজ্জ্বল নক্ষত্ৰস্বৰূপ, যাৰ শিল্পীসত্তাই আছিল প্ৰাণৰ ভূষণ । এই মহান মনিষীগৰাকীৰ জীৱন বৃত্তান্ত আপোনালোকক হয়তো দুনাই কোৱাৰ প্ৰয়োজন নাই । মই আপোনালোকৰ সন্মুখত অন্য কেইটামান মনৰ ভাৱহে উল্লেখ কৰিব খুজিছোঁ ।

**আগলৈ...**

# গ্ৰন্থৰ সংকট, যুৱ লেখক সন্মান আৰু যুৱ প্ৰজন্মৰ দায়বদ্ধতা

**দ্বীপেন বৰুৱা**



**যোৰাখণ্ডৰ পৰা..**

আধুনিকতা বা পৰীক্ষামূলক সাহিত্যৰ নামত যদি ভাষাৰ মৌলিক গঠন আৰু স্বাভাৱিক সৌন্দৰ্য নষ্ট হয়, তেন্তে ই ভাষাৰ বাবে ক্ষতিকাৰক হ'ব পাৰে। সেয়েহে পৰীক্ষা-নিৰীক্ষা আৰু পৰম্পৰাৰ মাজত এক সুস্থ সামঞ্জস্য ৰক্ষা কৰাটো যুৱ লেখকসকলৰ গুৰুত্বপূৰ্ণ কৰ্তব্য। যুৱ লেখকসকলে আত্মপ্ৰচাৰ বা সন্মান লাভকেই মুখ্য লক্ষ্য হিচাপে নধৰি সাহিত্যিক সমাজ সেৱাৰ এক মাধ্যম হিচাপে গ্ৰহণ কৰিব পাৰে। তেওঁলোকে সততে লক্ষ্য কৰিব লাগিব যে এই সন্মান কোনো এক চৰকাৰী হিতাধিকাৰী আঁচনি নহয়; বৰং সাহিত্যিক সমাজৰ বাবে এক সাংস্কৃতিক দায়বদ্ধতা আৰু সামাজিক সংকল্পৰ প্ৰতীক। এই সীমাবদ্ধতাবোৰ নোহোৱা কৰিলে যুৱ লেখক সন্মানে অধিক ফলপ্ৰসু ভূমিকা পালন কৰিব পাৰে।

গ্ৰন্থৰ সংকটৰ দায়িত্ব কেৱল লেখক বা চৰকাৰৰ ওপৰতেই নহয়; ইয়াৰ বাবে যুৱ প্ৰজন্মৰ সামূহিক দায়বদ্ধতা অতি গুৰুত্বপূৰ্ণ। প্ৰথম দায়বদ্ধতা হৈছে একোগৰাকী সচেতন পাঠক হিচাপে ভূমিকা পালন কৰা। যুৱ প্ৰজন্মই যদি নিজৰ ভাষাৰ গ্ৰন্থ নপঢ়ে, তেন্তে সেই ভাষাৰ সাহিত্য টিকি থাকিব নোৱাৰে। বছৰত অন্ততঃ কিছু সংখ্যক গ্ৰন্থ কিনি পঢ়া, গ্ৰন্থমেলা, সাহিত্য সভাত অংশগ্ৰহণ কৰাটো এক সামাজিক দায়িত্ব। দ্বিতীয় দায়বদ্ধতা হৈছে সমালোচনামূলক চিন্তাৰ বিকাশ। কেৱল বিনোদনমূলক সাহিত্যত সীমাবদ্ধ নাথাকি চিন্তাশীল প্ৰবন্ধ-সমালোচনা পঢ়াৰ অভ্যাস গঢ়ি তোলাটো যুৱ প্ৰজন্মৰ দায়িত্ব। তৃতীয়টো দায়বদ্ধতা হৈছে সৃষ্টিশীল অংশগ্ৰহণ। যুৱ প্ৰজন্মই কবিতা, গল্প, প্ৰবন্ধ, সমালোচনা আদি লিখি সাহিত্য- চৰ্চাত সক্ৰিয় ভূমিকা ল'ব লাগিব। ডিজিটেল মাধ্যমক গ্ৰন্থবিৰোধী নহয়, বৰঞ্চ গ্ৰন্থ প্ৰচাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগিব।

শেষত ক'ব পাৰি যে যুৱ লেখক সন্মান কেৱল এক প্ৰাপ্তি নহয়; ই এক দায়িত্বৰ আৰম্ভণি। যুৱ লেখকৰ দায়িত্ব হৈছে সমাজৰ প্ৰকৃত কণ্ঠস্বৰ হোৱা, ভাষা আৰু সংস্কৃতিৰ সুৰক্ষা কৰা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক সজীৱ সাহিত্যিক ঐতিহ্য গঢ়ি তোলা। যুৱ লেখক সন্মান গ্ৰন্থৰ সংকট লাঘৱ কৰাৰ এক ইতিবাচক উদ্যোগ হ'লেও, ই একমাত্ৰ সমাধান নহয়। সাহিত্য কেৱল সন্মান লাভৰ বাবে নহয়; ই সমাজ, সময় আৰু মানুহৰ সৈতে সংযুক্ত। এই সংযোগ জীৱন্ত কৰি ৰাখিবলৈ যুৱ প্ৰজন্মই একো-একোগৰাকী সচেতন লেখক আৰু সংবেদনশীল নাগৰিক হিচাপে আগবাঢ়ি আহিব লাগিব। অসম চৰকাৰ তথা অসম প্ৰকাশন পৰিষদেও অনাগত দিনত যুৱ লেখকৰ বাবে অধিক স্বচ্ছ, গণতান্ত্ৰিক আৰু সময়োপযোগী ব্যৱস্থা গঢ়ি তুলিব লাগিব। সমান্তৰালভাৱে যুৱ লেখকসকলেও আত্ম-সমালোচনাৰ দৃষ্টিভংগী গ্ৰহণ কৰি নিজৰ লেখনিৰ মান উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। তেতিয়াহে গ্ৰন্থই পুনৰ সমাজৰ কেন্দ্ৰবিন্দুত স্থান পাব আৰু সাহিত্য সমাজৰ দিশনিৰ্দেশক হৈ উঠিব।

## ঝাৰখণ্ডত জামুগুৰিহাটৰ কৈলাস

ভিতৰতে উক্ত দুৰ্বৃত্তৰ দলটোৰ লগত কোনো বিষয়ত কাজিয়াৰ সূত্ৰপাত হোৱাৰ ধাৰণা কৰিছে। কাৰণ সেই সময়তেই কৈলাস নাথে জ্যেষ্ঠ ভগ্নী আৰু ভিনিহিয়েকক ফোনযোগে তেওঁক দুৰ্বৃত্তই আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ বিষয়ে জনাইছিল যদিও পৰৱৰ্তী সময়ত কৈলাস নাথৰ লগত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল। পৰিয়ালৰ লোকে হত্যাৰ বলি হোৱাৰ সন্দেহ কৰা কৈলাস নাথ নামৰ যুৱকগৰাকী বামুণবাৰী সৰুফলীয়া গাঁৱৰ প্ৰয়াত ইন্দ্ৰেশ্বৰ নাথৰ কনিষ্ঠ পুত্ৰ আছিল। স্থানীয় বিধায়কৰ জৰিয়তে মুখ্যমন্ত্ৰীক পৰিয়াল তথা গাঁওবাসীয়ে ঘটনাৰ উচিত তদন্ত বিচাৰি অনুৰোধ কৰাৰ লগতে দোষীক চিনাক্ত কৰি উচিত শাস্তি দিয়াৰো দাবী উত্থাপন কৰিছে। তথ্য অনুসৰি, বৰ্তমানেও যুৱকজনৰ মৃতদেহ ঝাৰখণ্ডতেই আছে। ঝাৰখণ্ডতে থকা যুৱকজনৰ মৃতদেহ জামুগুৰিহাটৰ ঘৰখনলৈ ঘূৰাই আনিবৰ বাবে চৰকাৰৰ সহায় বিচাৰিছে দৰিদ্ৰ, দুৰ্ভগীয়া পৰিয়ালটোৱে।

## 'প্ৰান্তিক'ৰ সম্পাদক প্ৰদীপ বৰুৱাৰ

আইএছচি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ স্নাতক মহলাত তেওঁ নামভৰ্তি কৰিছিল। কিন্তু অনিবাৰ্য কাৰণবশতঃ তাতে অধ্যয়ন সমাপ্ত নকৰাকৈ গুৱাহাটীলৈ উভতি আহি পুনৰ কটন কলেজত স্নাতক মহলাত নামভৰ্তি কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। স্নাতক ডিগ্ৰী লাভৰ পাছতে আছাম ট্ৰিবিউন প্ৰতিষ্ঠানত যোগদান কৰা প্ৰদীপ বৰুৱাই ১৯৬৪ চনৰ ৭ মাৰ্চত যোৰহাটৰ মায়া বৰুৱাৰ সৈতে বিবাহপাশত আবদ্ধ হয়। ট্ৰিবিউন প্ৰতিষ্ঠানত গুৰুদায়িত্বত নিয়োজিত হ'লেও চিৰদিনেই এক স্বাধীনচিতীয়া মন লৈ কাৰ্যনিৰ্বাহ কৰা প্ৰদীপ বৰুৱাই ১৯৮১ চনৰ ১ ডিচেম্বৰৰ পৰা আৰম্ভ কৰে পযেকীয়া আলোচনী 'প্ৰান্তিক'ৰ। ড° ভবেন্দ্ৰনাথ শইকীয়াক মুখ্য সম্পাদক হিচাপে লৈ আৰম্ভ কৰা 'প্ৰান্তিক'-এ অতি কম সময়ৰ ভিতৰতে অসমীয়া সংবাদ-সাহিত্য ক্ষেত্ৰখনৰ এক অন্যতম সমল ৰূপে পৰিগণিত হয়। ১৯৯৭ চনত স্বাস্থ্যজনিত কাৰণত ড° ভবেন্দ্ৰনাথ শইকীয়াই মুখ্য সম্পাদকৰ পদবীৰ পৰা অব্যাহতি লোৱাৰ পাছতো তেওঁ ইমৰান হুছেইনৰ সৈতে লগ লাগি আলোচনীখন নিয়াৰিকৈ প্ৰকাশ কৰি আহিছিল। মৃত্যুৰ আগমুহূৰ্তলৈকে আলোচনীখনৰ প্ৰতি দায়বদ্ধ হোৱা সম্পাদকগৰাকীৰ কন্যা ৰশ্মি বৰুৱাই মৃত্যুৰ পিছত এই কথা সুঁৱৰি কয় যে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ তেওঁ কনিষ্ঠ সন্তান আছিল। নিজস্ব পৰিচয়েৰে তেওঁ জীয়াই থাকিব বিচাৰিছিল। মৃত্যুৰ পাছত তেওঁৰ মৃতদেহ প্ৰথমে হাস্পতালৰ পৰা নৱগিৰি পথত থকা বাসভৱনলৈ অনা হয় আৰু তাৰ পৰা পোনে পোনে নৱগ্ৰহ শ্মশানলৈ নিয়া হয়। তাতেই একমাত্ৰ কন্যা ৰশ্মি বৰুৱাই মুখাগ্নি কৰে। বিশিষ্ট সাংবাদিক-লেখক প্ৰদীপ বৰুৱাৰ বিয়োগত শোকপ্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয়, "আজি মাঘৰ বিহুৰ দিনটোতে প্ৰতিগৰাকী অসমবাসীক মৰ্মাহত কৰা স্বনামধন্য প্ৰদীপ বৰুৱা ডাঙৰীয়াৰ দেহাৱসানৰ খবৰ শুনি গভীৰভাৱে ম্ৰিয়মাণ হ'লোঁ। অসমীয়া পযেকীয়া ব্যতিক্ৰমী আলোচনী 'প্ৰান্তিক'ৰ জৰিয়তে তেখেতে সাহিত্য-চৰ্চাৰ এক সুকীয়া যুগৰ সূচনা কৰাই নহয়, অসমৰ সংবাদ জগতখনকো অনন্য সমৃদ্ধি প্ৰদান কৰিছিল। তেখেতৰ অবৰ্তমান আমাৰ বাবে এক পূৰাব নোৱৰা শূন্যতা। নিশ্চিতকৈ তেখেতৰ অৱদান প্ৰতি অসমীয়াই চিৰদিন স্মৰণ কৰিব। প্ৰভু ভগৱন্তই প্ৰদীপ বৰুৱা ডাঙৰীয়াৰ স্বৰ্গগামী আত্মাক চিৰশান্তি প্ৰদান কৰক। এই শোকাৰ্ত মুহূৰ্তত প্ৰসিদ্ধ সম্পাদক, সাহিত্যিকগৰাকীৰ পৰিয়ালবৰ্গ, প্ৰান্তিক পৰিয়াল তথা অজস্ৰ গুণমুগ্ধলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।" আনহাতে বিশিষ্ট সাংবাদিকগৰাকীৰ মৃত্যুত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যই নৱগিৰি পথত থকা বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ কয় যে অসমৰ বৌদ্ধিক জগতখনক তেওঁ সমুখৰ পৰা নেতৃত্ব দিছিল। অসমৰ প্ৰতিটো সংকটত বৌদ্ধিক চিন্তাৰে জাতীয় জীৱনক বাট দেখুৱাইছিল। তেওঁৰ মৃত্যু অসমীয়া জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি।

## ডিব্ৰুগড় জিলা লেখিকা সমাজৰ

বিশিষ্ট অতিথি ডিব্ৰুগড়ৰ সমাজ কৰ্ম্মী অৱসৰপ্ৰাপ্ত বিষয়া ৰঞ্জন দত্তকে আদি কৰি সভাপতি, সম্পাদকে। গ্ৰন্থ উন্মোচন কৰি ড° শইকীয়াই তেখেতৰ উন্মোচনী ভাষণত কয় যে, মানৱ সমাজ, সভ্যতাৰ অগ্ৰগতিত সৃজনীশীল সাহিত্যৰ ভূমিকা অপৰিসীম। অসমীয়া ভাষা তথা জাতিক জীয়াই ৰাখিবৰ বাবে, ব্যক্তিৰ মনোজগত, জীৱনক সুন্দৰ কৰিবৰ বাবে সৃজনীশীল সাহিত্য চৰ্চা অব্যাহত ৰখাৰ প্ৰয়োজনীয়তা আছে। লেখিকা অৰ্চনা বৰাই দুয়োখন গ্ৰন্থ প্ৰণয়নৰ সম্পৰ্কত নিজৰ আত্মিক তাগিদা তথা অনুভৱ ব্যক্ত কৰে। আনগৰাকী শিশু লেখিকা বাগ্মিতা গগৈয়েও নিজৰ বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সহঃসম্পাদক জোনটি বৰা গগৈক সাংগঠনিক দিশত আগবঢ়োৱা পাৰদৰ্শিতাৰ বাবে সন্মানিত কৰা হয়। জিলা সাংস্কৃতিক সম্পাদক ৰিমঝিম শইকীয়াক সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়োৱা অৱদান তথা পাৰদৰ্শিতাৰ বাবে সন্মানিত কৰা হয়। সৃজনীশীল সাহিত্য আৰু সাংস্কৃতিক কাৰ্যসূচী অনুসৰি ক্ৰমেঃ লৰিয়লি শিশু শিতান, সখিয়তী কিশোৰী শিতানৰ লগতে লেখিকাসকলৰ নৃত্য-গীতকে আদি কৰি স্বৰচিত কবিতা পাঠ, কবিতা আবৃত্তি, স্বৰচিত গল্প পাঠ আদিৰ পৰিৱেশনেৰে সম্পন্ন হোৱা অনুষ্ঠানটিত গীত পৰিৱেশন কৰে লেখিকা সমাজৰ সদস্যা হেপ্পী দত্তই। স্বৰচিত গল্প পাঠ কৰে হিৰোমা শইকীয়াই। সৃজনীশীল নৃত্য পৰিৱেশন কৰে ক্ৰমে অংকিতা বৰঠাকুৰ আৰু ৰুণজুন দাসৰ যুটীয়ে। ভূপেন্দ্ৰ সংগীতত নৃত্য পৰিৱেশন কৰে অংকিতা বৰঠাকুৰে। দলীয় সৃজনীশীল নৃত্য পৰিৱেশন কৰে লৰিয়লি বাগ্মিতা গগৈ, আৰাধ্যা বৰা আৰু টিজুস্মিতা দাসে। প্ৰয়াত জুবিন গাৰ্গৰ এটি গীত পৰিৱেশনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ লগতে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে ডিব্ৰুগড়ৰ শিশু কণ্ঠশিল্পী চাউলী গগৈয়ে। অনুষ্ঠানটিত চাহ পৰ্ব তথা দুপৰীয়াৰ আহাৰ বিৰতিৰ পিছতে সদ্য প্ৰয়াত মহান শিল্পীজনলৈ শ্ৰদ্ধা নিবেদি তেওঁৰ এটি গীত পৰিৱেশনৰ লগতে এটি নিজা গীত পৰিৱেশন কৰে সুকণ্ঠী গায়িকা, অনাতাঁৰ শিল্পী তথা ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সাংস্কৃতিক সম্পাদক ৰিমঝিম শইকীয়াই। গীত পৰিৱেশন কৰে লেখিকা তথা গায়িকা ড° নীলাঞ্জনা শৰ্মাই। অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে ডিব্ৰুগড় জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ বিটুমণি গগৈ, ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মিনাক্ষী দাস বৰুৱাই। চমু বক্তব্যৰ লগতে কবি দেৱকান্ত বৰুৱাৰ কবিতা আবৃত্তি কৰে বৃহত্তৰ পাটকাই আঞ্চলিকৰ উপ সভাপতি, আবৃত্তিকাৰ তথা শিক্ষয়িত্ৰী প্ৰেৰণা শইকীয়াই। বিহুনাম আৰু নাচ পৰিৱেশন কৰে বিহুৱতী তথা ডিব্ৰুগড় জিলা লেখিকা সমাজৰ কোষাধ্যক্ষ নিভা বৰচেতিয়া, কাৰ্য-নিৰ্বাহক সদস্য বনশ্ৰী দেৱীৰ লগতে অনুষ্ঠানত উপস্থিত থকা ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সদস্যসকলে। সম্পাদক অনিতা গগৈ আৰু সহ সম্পাদক জোনটি বৰা গগৈয়ে আঁত ধৰা মনোজ্ঞ অনুষ্ঠানত শলাগ জ্ঞাপন আৰু সভাপতি মধুমিতা দত্তই।

## অহা ২৫ জানুৱাৰীত বিৰুবাৰীত হিন্দু সন্মিলন

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শত বৰ্ষ উপলক্ষে বিৰুৱাৰী বস্তি হিন্দু সন্মিলনৰ উদ্যোগত অহা ২৫ জানুৱাৰীৰ বিয়লি ৫ বজাৰ পৰা গুৱাহাটী মহানগৰ জিলাৰ শংকৰদেৱ নগৰৰ অন্তৰ্গত বিৰুবাৰী বস্তিৰ উদয়পুৰ কালী মন্দিৰ প্ৰাংগনত এখন হিন্দু সন্মিলন অনুষ্ঠিত হ'ব। শনিবাৰে বিৰুৱাৰী বস্তি হিন্দু সন্মিলনৰ উদ্যোগত অনুষ্ঠিত এখন সংবাদমেলত এইকথা সদৰী কৰে সন্মিলনৰ প্ৰচাৰক সিদ্ধাৰ্থ প্ৰতীম দত্তই। তেওঁ লগতে কয়- এই সন্মিলনত তিনিজন বক্তাই বক্তব্য আগবঢ়াব। এই সন্মিলনত আমি সকলোৰে উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিলোঁ। সংবাদ মেলত বিৰুৱাৰী বস্তি হিন্দু সন্মিলনৰ সভাপতি অতিন্দ্ৰ সৰকাৰ, সম্পাদক নন্দলাল কৈৰী, ৰাজেশ ৰাভা উপস্থিত থাকে।

## সৰুসজাই ষ্টেডিয়ামত

সম্বৰ্ধনা জনোৱাৰ লগতে এই নৃত্যৰ প্ৰশিক্ষণ দিয়া প্ৰশিক্ষকসকলক ৫০ হাজাৰ টকাৰে সম্বৰ্ধনা জনোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় এই প্ত বছৰত আমি বিহু, ঝুমইৰ প্ৰদৰ্শনৰ পিছত কাইলৈ বাগুৰুম্বা নৃত্য প্ৰদৰ্শন কৰা হ'ব। অহাবাৰ দিল্লীত গৈ এই নৃত্য প্ৰদৰ্শন কৰা হ'ব। লাহে লাহে আমাৰো দৃঢ়তা বাঢ়ি গৈ আছে। গতিকে নতুন দিল্লীত গৈ এই নৃত্য প্ৰদৰ্শন কৰা হ'ব আৰু আমি আমাৰ জাতিৰ কৃষ্টি-সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিম। মূল অনুষ্ঠানটোত এক আকৰ্ষণীয় লেজাৰ শ্ব'ও প্ৰদৰ্শন কৰা হ'ব। জনসাধাৰণে ঘৰত বহিয়েই এই ঐতিহাসিকক্ষণ উপভোগ কৰিব পৰাকৈ সমগ্ৰ কাৰ্যসূচী টেলিভিছাত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। শিল্পীসকলৰ এই সামূহিক প্ৰচেষ্টাই অসমৰ সংস্কৃতিক বিশ্বৰ বুকুত এক সুকীয়া পৰিচয় দিব বুলি মুখ্যমন্ত্ৰীয়ে গৌৰৱ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াকো ঘোষণা কৰে যে যিসকলে বাগুৰুম্বা নৃত্যত অংশ লৈছে, ৰাজ্য চৰকাৰে প্ৰতিগৰাকীকে এখন পাৰ্ফৰ্মেঞ্চ চাৰ্টিফিকেট আৰু স্কিল চাৰ্টিফিকেটেৰে জিলা পৰ্যায়ত সম্বৰ্ধনা জনাব। উল্লেখ্য যে বাগুৰুম্বা এই নৃত্য প্ৰদৰ্শনৰ বাবে নেপালৰ পৰা ২৯গৰাকী, নাগালেণ্ডৰ পৰা ২৫গৰাকী, পশ্চিমবংগৰ পৰা ৫১গৰাকীকে ধৰি মুঠ ৯৬৬৭ শিল্পীয়ে অংশগ্ৰহণ কৰিছে। এইনৃত্যৰ প্ৰশিক্ষণ দিছে ২৫গৰাকী প্ৰশিক্ষকে আৰু ১২ গৰাকীকৈ কৰিঅ'গ্ৰাফাৰে সহযোগ কৰিছে। এই চূড়ান্ত আখৰা পৰ্যবেক্ষণ কালত মুখ্যমন্ত্ৰীৰ সৈতে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কেবিনেট মন্ত্ৰী বিমল বড়া, পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱা, চৰণ বড়ো আৰু ইউ জি ব্ৰহ্ম, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিং প্ৰমুখ্যে উচ্চপদস্থ বিষয়াবৰ্গ আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## ৬৬.৭৫ শতাংশ হিন্দু

৫৯ শতাংশ লোকে ড° শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে আৰু ৩৩ শতাংশ লোকে গৌৰৱ গগৈক মুখ্যমন্ত্ৰী হিচাপে বিচাৰে। ৰাজ্যখনৰ গৰিষ্ঠসংখ্যক খিলঞ্জীয়া তথা হিন্দু লোকে ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে বিচৰাৰ বিপৰীতে কিন্তু ৭৯ শতাংশ মুছলমান লোকে গৌৰৱ গগৈক মুখ্যমন্ত্ৰী হিচাপে বিচাৰে। ইয়াৰে ১০ শতাংশ লোকেহে ড° শৰ্মাক মুখমন্ত্ৰী হিচাপে বিচাৰে। সমীক্ষাটোত প্ৰকাশ হোৱা আন তথ্য অনুসৰি সৰ্বাধিক ৮৪ শতাংশ পুৰুষে গৌৰৱ গগৈক আৰু ৪২ শতাংশ পুৰুষে ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে বিচাৰে। ইয়াৰ বিপৰীত তথ্য অনুসৰি সৰ্বাধিক ৫৫ শতাংশ মহিলাই ড° হিমন্ত বিশ্ব শৰ্মাক আৰু ৩৫ শতাংশ মহিলাই গৌৰৱ গগৈক মুখমন্ত্ৰী হিচাপে বিচাৰে। অৱশ্যে ১৮ৰ পৰা ২৪ বছৰ বয়সৰ ভোটাৰৰ মাজত যথেষ্ট জনপ্ৰিয় গৌৰৱ গগৈ। ২৫ বছৰ বয়সৰ পৰা ৫৫ বছৰৰ ওপৰৰ সকলো বয়সৰ লোকৰ মাজত জনপ্ৰিয়তা বৃদ্ধি ড° হিমন্ত বিশ্ব শৰ্মাৰ। অ'বিচি লোকৰ মাজত ড° হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তা ৭১ শতাংশ হোৱাৰ বিপৰীতে গৌৰৱ গগৈৰ জনপ্ৰিয়তা মাত্ৰ ১৮ শতাংশহে। ভোট ভাইবে নিজৰ ষ্টেট ভাইব ছিৰিজত প্ৰকাশ কৰা সমীক্ষাত অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত বৰ্তমানৰ ৰাজনৈতিক নেতাসকলৰ জনপ্ৰিয়তা তথা গ্ৰহণযোগ্যতা সন্দৰ্ভত প্ৰকাশ কৰা তথ্যত উল্লেখ কৰিছে যে চৰকাৰী কৰ্মদক্ষতাৰ ৰেটিং সমীক্ষা অনুসৰি ৫৮ শতাংশ লোকে বিগত ৫ বছৰত বৰ্তমানৰ চৰকাৰখনৰ কাম-কাজ উৎকৃষ্ট বা ভাল বুলি ৰেটিং দিছে। মাত্ৰ ৩৮.১ শতাংশ লোকেহে চৰকাৰী কাম-কাজক গতানুগতিক বুলি ৰেটিং দিছে। অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে কাক বিচাৰে, সেইপ্ৰশ্নৰ সমীক্ষাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৪৮.২ শতাংশ সমৰ্থনেৰে আগবাঢ়ি থকাৰ বিপৰীতে ৪২ শতাংশ লোকৰ সমৰ্থন লাভ কৰিছে গৌৰৱ গগৈয়ে।

## বিৰাট কোহলীৰ

খেলা বিশ্বকাপৰ মেচখনত ৬৭টা বলত ৭২ ৰান সংগ্ৰহ কৰি বৈভৱে বিৰাট কোহলীক অতিক্ৰম কৰে। যুৱ এদিনীয়া ক্ৰিকেটত কোহলীয়ে ২৮খন মেচত ১৭৮ ৰান সংগ্ৰহ কৰিছিল। কোহলীৰ এই ৰানৰ সংখ্যা অতিক্ৰম কৰিববলৈ বৈভৱক মাত্ৰ ২৭ৰানৰ প্ৰয়োজন আছিল। বৈভৱে ৬টা চাৰি আৰু ৩টা ছয়েৰে ৭২ ৰান কৰি এতিয়ালৈকে মুঠ ১০৪৭ ৰান সংগ্ৰহ কৰিছে। এই তালিকাত ১৪০৪ ৰান কৰি শীৰ্ষস্থানত আছে বিজয় জোল। যশস্বী জয়ছোৱালে ১৩৮৬ ৰান কৰি দ্বিতীয় স্থানত থকাৰ বিপৰীতে তন্ময় শ্ৰীবাস্তৱে ১৩১৬ ৰান কৰি তৃতীয় স্থানত শুভমন গিল আৰু উন্মুক্ত চান্দ উভয়ে ১১৪৯ ৰান কৰি যুটীয়াভাবে চতুৰ্থ স্থানত আছে। আনহাতে ১০৮০ ৰান কৰি পঞ্চম স্থানত আছে ছৰফৰাজ খান।

## এলিভেটেড কৰিড'ৰৰ

মথাউৰি নিৰ্মাণৰ কামত ব্যৱহাৰ কৰিলেহেঁতেন তেন্তে দুখীয়া ৰাইজ বেছি উপকৃত হ'লহেঁতেন। সাংসদ গগৈৰ এনে মন্তব্যই সৰ্বত্ৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজনৈতিক বিৰোধিতাৰ নামত অসমৰ উন্নয়নবিৰোধী স্থিতি লোৱাটো ৰাইজে সহজভাৱে ল'ব পৰা নাই। আনহাতে দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ অহা প্ৰধানমন্ত্ৰী মোদী জুবিনক্ষেত্ৰলৈ যোৱাৰ আহ্বান জনাই কয় যে তাত তেওঁ জুবিন গাৰ্গক স্মৰণ কৰক আৰু প্ৰাণৰ শিল্পীগৰাকীক ভাৰতৰত্ন প্ৰদানৰ ঘোষণা কৰক। ইপিনে দিনজোৰা কাৰ্যসূচীৰে নলবাৰীলৈ অহা সাংসদ গগৈয়ে কেইবাটাও দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে সাহিত্যাচাৰ্য প্ৰয়াত ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ লগত মত বিনিময় কৰে। সেইদৰে নলবাৰীৰ প্ৰতিষ্ঠিত সাহিত্যিক, কবি পংকজ গোবিন্দ মেধিৰ মিউজিয়ামত উপস্থিত হৈ মেধিৰ লগত বাৰ্তালাপ কৰে। ইয়াৰ পাছতে গগৈয়ে গুৰুজী আদ্য শৰ্মাৰ বাসগৃহত উপস্থিত হৈ স্বনামধন্য শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। কাৰ্যসূচী আৰম্ভ কৰাৰ পূৰ্বে নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰত কংগ্ৰেছ নেতাগৰাকীয়ে সেৱা লয়। নলবাৰী চহৰৰ থানা চ'কত থকা সংবিধান প্ৰণেতা ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাই বিয়লি এক পদযাত্ৰাতো অংশ লয়। একেদৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক প্ৰয়াত দীপক কুমাৰ শৰ্মাৰ পানীগাঁৱৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জনায়। গৌৰৱ গগৈৰ নলবাৰী ভ্ৰমণৰ সময়ত জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী, বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মন, প্ৰাক্তন বিধায়ক অশোক শৰ্মাই সংগ দিয়ে।

## অৱশেষত ড'নাল্ড ট্ৰাম্পে

'ধন্য' হয় ভেনিজুৱেলাৰ বিৰোধী নেত্ৰীগৰাকী। কি কাৰণে তেওঁ নিজে পোৱা নোবেল বঁটাটি ট্ৰাম্পক দি দিলে তাৰ ব্যাখ্যাও দিছে মাছাডোৱে। এই সন্দৰ্ভত তেওঁ কয় যে ভেনিজুৱেলালৈ 'স্বাধীনতা' ওভতাই অনাৰ সন্দৰ্ভত দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ বাবেই তেওঁ এই বঁটাটি ট্ৰাম্পক দিয়াৰ সিদ্ধান্ত লয়। উল্লেখ্য যে কিছুদিন পূৰ্বে ভেনিজুৱেলাত অতৰ্কিতে অভিযান চলাই দেশখনৰ ৰাষ্ট্ৰপতি নিক'লাছ মাডুৰো আৰু তেওঁৰ পত্নীক বন্দী কৰি আমেৰিকালৈ লৈ যায় মাৰ্কিন সেনাই। কঠোৰ মাডুৰো বিৰোধী হিচাপে পৰিচিত মাছাডোৱে এই ঘটনাটোক দেশত স্বাধীনতা প্ৰতিষ্ঠাৰ সৈতে তুলনা কৰা যেন লাগে। বৃহস্পতিবাৰে হোৱাইট হাউছত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে কেইবাঘণ্টা ধৰি আলোচনাত বহে মাছাডো। বৈঠকৰ পিছত সংবাদ মাধ্যমৰ সন্মুখত তেওঁ ট্ৰাম্পক ধন্যবাদ জনায়। মাছাডোৰ সৈতে বৈঠকৰ পিছত সামাজিক মাধ্যমত এটা পোষ্ট দিছে ট্ৰাম্পে। উল্লেখ্য যে ৮ মাহত বিশ্বৰ বিভিন্ন প্ৰান্তত ৮খনকৈ যুদ্ধ ৰোধ কৰাৰ দাবী কৰিছিল মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে। প্ৰতিখন যুদ্ধ ৰোধ কৰাৰ বাবে একোটাকৈ নোবেল বঁটা পোৱা উচিত আছিল বুলি দাবী কৰিছিল তেওঁ। প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি বাৰাক ওবামাই নোবেল বঁটা পোৱাক লৈ কটাক্ষ কৰি ট্ৰাম্পে কৈছিল- 'তেওঁ একোৱেই কৰা নাছিল।' নোবেল শান্তি বঁটা ঘোষণাৰ পিছত এই বঁটা নোপোৱাক লৈ শেহতীয়াকৈ মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে কয়-'আমাক এই বঁটা নিদিয়াটো মূৰ্খামি।' পিছে মাছাডো বা ট্ৰাম্পে বিচাৰিলেই বঁটা হস্তান্তৰ কৰাটো যে সম্ভৱ নহয়, তাক ইতিপূৰ্বেই স্পষ্ট কৰি দিছিল নোবেল কমিটীয়ে। জনা কথা যে শান্তি বঁটা কাৰো সৈতে ভাগ কৰা, প্ৰত্যাহাৰ কৰা বা স্থানান্তৰিত কৰা সম্ভৱ নহয়। নোবেল কমিটীৰ বিবৃতি অনুসৰি বঁটাপ্ৰাপকৰ নাম এবাৰ ঘোষণা হৈ গ'লে সেই সিদ্ধান্ত সৰ্বকালৰ বাবে বাহাল থাকে।

## গুৱাহাটী বিশ্ববিদ্যালয়ত

এফআইজেইইএইচএৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এনএছএছ গোটৰ সহযোগত আয়োজিত এই ৱেবিনাৰত প্ৰাণজিৎ তামুলীয়ে উদ্যোগসমূহৰ দীৰ্ঘম্যাদী উন্নয়নৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। ইপিনে, বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰঞ্জন কুমাৰ কাকতিয়ে যুৱ উন্নয়ন কেৱল শৈক্ষিক শিক্ষাত সীমাবদ্ধ থাকিব নালাগে বুলি উল্লেখ কৰে। ৱেবিনাৰত সাংবাদিক চন্দ্ৰাণী সিন্‌হা, উদ্যোগী প্ৰিয়ংকা ডি পাটোৱাৰী, মৃগাংকু বাহকৰ লগতে বহু বিশেষজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰি প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়।

## আমাৰ দৃষ্টিত য়াটত থকা

গোস্বামীৰ। সেয়ে চিকিৎসাৰ বাবে আৱেদন কৰিছে শেখৰজ্যোতি গোস্বামীয়ে। যিহেতু চিকিৎসা মৌলিক অধিকাৰ । সেয়ে চৰকাৰী অধিবক্তাই চিকিৎসা প্ৰদানৰ কোনো বিৰোধিতা কৰা নাই আদালতত। ইপিনে শুনানিত অংশ লৈ প্ৰিয় শিল্পী পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী ড° পামী বৰঠাকুৰে চৰকাৰে নিয়োগ কৰা অধিবক্তাৰ দলক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শিল্পী পত্নী গৰিমাই কয় যে দলটো দেখি আমাৰ ভাল লাগিছে। সবলভাবে যুঁজখন তেওঁলোকে আগুৱাই নিব পাৰিব বুলি আমাৰ বিশ্বাস জন্মিছে। অৱশ্যে শুনানিৰ সময়ছোৱাত শ্যামকানু মহন্তকে ধৰি ৭জন অভিযুক্তৰ মুখমণ্ডলত কোনোধৰণৰ অনুশোচনাৰ ভাব আজিও প্ৰত্যক্ষ নকৰিলে বুলি গৰিমাই লগতে কয়। গৰিমাই আৰু কয় যে আটাইতকৈ যিটো ভয়ানক শাস্তি আছে সেইটো দিব লাগে। অসুৰ বধ হ'বই লাগিব। শিল্পীগৰাকীৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গক সকলো সত্য কথা আদালতত জনাবলৈ আহ্বান জনায় গৰিমাই। তেওঁ কয় যে নিজৰ ভাতৃ হিচাপে আৰু এজন আৰক্ষী বিষয়া হিচাপে সম্পূৰ্ণ দায়িত্ব তেওঁৰ আছে। সকলো ঘটনাৰ চাক্ষুষ প্ৰমাণ তেওঁ। নিজৰ পৰিয়ালৰ বাবে এইখিনি কষ্ট কৰাটো তেওঁৰ কৰ্তব্য। অভিশপ্ত ১৯ ছেপ্টেম্বৰৰ দিনা য়াটত উপস্থিত থকা প্ৰতিজন প্ৰবাসী অসমীয়াকে সমানেই দোষী বুলি মন্তব্য কৰি গৰিমাই কয় যে তেওঁলোকে সকলো কথা চকুৰে দেখিছে। জুবিনৰ চিকিৎসাৰ দিশটোত বহু অৱহেলা কৰিছে। আমি ভিডিঅ'টোত সকলো দেখিছোঁ। ১৪-১৫জন মানুহৰ সন্মুখৰ পৰা এজন মানুহ হঠাৎ নাইকিয়া কিদৰে হৈ যাব পাৰে? জুবিন গাৰ্গক কেৱল বিনোদনৰ মাধ্যম হিচাপেহে তেওঁলোকে বিচাৰিছিল নেকি? কোনোধৰণৰ দায়িত্ব তেওঁলোকৰ নাছিল নেকি? শিল্পীগৰাকীৰ ভগ্নী ড° পামী বৰঠাকুৰেও অধিবক্তাৰ দলটোৰ প্ৰশংসা কৰি কয় যে আমি যিহেতু সত্যত আছোঁ, গতিকে বিজয় আমাৰ নিশ্চিত। জ্যেষ্ঠ অধিবক্তা অপূৰ্ব শৰ্মাই আজিও চৰকাৰে দিয়া অধিবক্তাৰ দলক আদৰণি জনাই কয় যে বিশেষ আদালত এখন চৰকাৰে গঠন কৰি দিলে প্ৰাণৰ শিল্পীয়ে শীঘ্ৰে ন্যায় পোৱাৰ বাট প্ৰশস্ত হ'ব। চৰকাৰে ইচ্ছা কৰিলে এয়া নিশ্চয়কৈ সম্ভৱ হ'ব।

## ৬ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব

মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি ফেব্ৰুৱাৰী মাহতে যোৰহাটৰ এ টি ৰোডত নিৰ্মাণ সম্পূৰ্ণ হোৱা উৰণ সেতুখনৰো মুকলি কৰা হ'ব। ইফালে ডিব্ৰুগড়ত হ'বলগা বিধানসভাৰ দ্বিতীয়টো চৌহদৰ অহা ৩০ জানুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে নিৰ্মাণ সম্পূৰ্ণ হোৱা খনিকৰ ষ্টেডিয়ামখনো মুকলি কৰিব। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰে যে ২৪ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীৰ ভিতৰত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ তথ্য ৰাজহুৱা কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে ফেচবুক লাইভযোগে সদৰী কৰে যে ৰাজ্যৰ উদ্যোগীকৰণৰ নতুন দিশ সূচনাৰ লক্ষ্যৰে অহা ১৯ জানুৱাৰীত তেওঁ ছুইজাৰলেণ্ডৰ ডেভছলৈ যাত্ৰা কৰিব। ভাৰত চৰকাৰে প্ৰথমবাৰৰ বাবে অসমক বিশ্ব অৰ্থনীতি ফ'ৰামত যোগদানৰ সুযোগ প্ৰদান কৰিছে। সেই সুযোগ অনুসৰিয়েই অসমক প্ৰতিনিধিত্ব কৰি মুখ্যমন্ত্ৰীয়ে ডেভছত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ সমুখত অসম কিদৰে ঔদ্যোগিক ক্ষেত্ৰত সাজু হৈ উঠিছে তাৰ বিশ্লেষণ আগবঢ়াব। ইফালে আমছুৰ প্ৰাক্তন নেতা ৰেজাউল কৰিমৰ আপত্তিজনক মন্তব্যক উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে কয় যে গৌৰৱ গগৈয়ে বুজাব লাগিছিল ৰেজাউলক। কংগ্ৰেছৰ মঞ্চৰ পৰা এনে কথা ক'বলৈ মানা কৰিব লাগিছিল। গৌৰৱে দলৰ পৰা বহিষ্কাৰ নকৰি হিৰ' বনালে ৰেজাউলক। ৰেজাউল সংখ্যালঘুৰ ওচৰত নেতা হৈ পৰিল। ৰেজাউল কৰিম সৰকাৰে শেহতীয়াকৈ পুনৰ শৈক্ষিক জেহাদৰ কথা কৈ ভয়ংকৰ ভৱিষ্যতৰ ইংগিত দিছে। শিৱসাগৰক ধুবুৰী কৰাত আমাৰ আপত্তি আছে, ধুবুৰীকহে শিৱসাগৰ কৰাৰ প্ৰয়োজন আছে। শিৱসাগৰ আমাৰ প্ৰাণ স্পন্দন, শিৱসাগৰ-চৰাইদেউ অসমীয়া জাতিৰ সাহস।

## দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ

জৰিয়তে অসমৰ বিহু আৰু ঝুমইৰক বিশ্বৰ দৰবাৰত স্থাপন কৰা হৈছিল। একে লক্ষ্যৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ১০ হাজাৰ বড়ো শিল্পীয়ে ৰজনজনাই তুলিব ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প। ইফালে বাগুৰুম্বা নৃত্যৰ অনুষ্ঠানৰ পিছতেই প্ৰধানমন্ত্ৰী মোদীয়ে আজি নিশা গুৱাহাটীতে কটাব। দেওবাৰে প্ৰধানমন্ত্ৰী মোদীয়ে কলিয়াবৰলৈ উৰা মাৰিব। কলিয়াবৰত প্ৰধানমন্ত্ৰীয়ে ৬৯৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'ব লগা কাজিৰঙা এলিভেটেড কৰিড'ৰৰ ভূমিপূজন সম্পন্ন কৰিব। ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাজিৰঙা এলিভেটেড কৰিড'ৰ প্ৰকল্প হৈছে পৰিৱেশ সচেতন ৰাষ্ট্ৰীয় ঘাই প্ৰকল্প। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে পাৰ হ'বলগীয়া এই পথছোৱাৰ ২১ কিলোমিটাৰ বাইপাছৰ অংশ হ'ব আৰু ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথটো দুটা লেনৰ পৰা চাৰিটা লেনলৈ বহল কৰা হ'ব। এই প্ৰকল্পৰ মূল লক্ষ্য হৈছে ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ-বৈচিত্ৰ্যক সুৰক্ষিত কৰা। প্ৰকল্পটোৱে নগাঁও, কাৰ্বি আংলং আৰু গোলাঘাট জিলাৰ মাজেৰে পাৰ হৈ উজনি অসমৰ সৈতে এক মসৃণ পথৰ সংযোগ ঘটাব। এই কৰিড'ৰৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনত হৈ থকা মানুহ-বন্যপ্ৰাণীৰ সংঘাত হ্ৰাস কৰাৰ লগতে যাত্ৰাপথৰো সময় যথেষ্ট হ্ৰাস কৰিব। প্ৰকল্পটোৰ অংশ হিচাপে জখলাবন্ধা আৰু বোকাখাতত নিৰ্মাণ হ'ব দুটাকৈ বাইপাছ। এই কাৰ্যসূচীৰ পিছতেই ১৮ জানুৱাৰীত প্ৰধানমন্ত্ৰীগৰাকীয়ে দুখন অমৃত ভাৰত এক্সপ্ৰেছৰো ফ্লেগ অফ কৰিব। ইয়াৰে প্ৰথমখন হ'ল গুৱাহাটী (কামাখ্যা)-ৰোহটক অমৃত ভাৰত এক্সপ্ৰেছ আৰু দ্বিতীয়খন হ'ল ডিব্ৰুগড়-লক্ষ্ণৌ (গোমটা নগৰ) ৰ মাজত চলাচল কৰিবলগীয়া। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ১৭ জানুৱাৰীত মালদাত উপস্থিত হৈ হাওৰা আৰু গুৱাহাটী (কামাখ্যা)ৰ মাজৰ ভাৰতৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লৰ শুভাৰম্ভ কৰিব। দ্বিতীয় দিনৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৮ জানুৱাৰী অৰ্থাৎ দেওবাৰে কলিয়াবৰৰ মৌচন্দা খেলপথাৰত সম্বোধন কৰিব এক বিশাল ৰাজহুৱা সভা। এই সভাৰ পিছতেই বিয়লি দিল্লীলৈ উভতিব প্ৰধানমন্ত্ৰী মোদী।

## ENGLISH NEWS SECTION

# Assam Governor interacts with Kashmiri youth



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya today interacted with 25 students from the Kashmir Valley who are on a Bharat Darshan tour organised by 13 BN , SSB, Dignibal (J&K) at a programme held at Lok Bhavan. It may be mentioned that the Bharat Darshan progra-mme is organised annually under the Civic Action Programme by Central Armed Police Forces (CAPFs) including SSB, CRPF, BSF and others, in collaboration with the Jammu and Kashmir Po-lice. The initiative aims to give adequate exposure to the Kashmiri youth to the cultural, historical and educational diversity of India by taking them on tours to major cities and heritage sites across the country. Welcoming the students to Assam, the gateway to Northeast In-dia, Governor Shri Acharya expressed happi-ness over their visit and appreciated their enthusi-asm and spirit of learning. He remarked that al-though Kashmir and Assam are geographically distant apart, they are emotionally and culturally connected as integral parts of one nation, India. The presence of the students, he said, is a strong reflection of the country's unity. High-lighting India's ethos of 'Unity in Diversity', the Governor said that while languages, food habits, at-tire and traditions may vary, the Constitution, de-mocracy and shared na-tional values bind the people together. He stated that the spirit of Ek Bharat, Shreshtha Bharat is not merely a slogan but a way of life, and programmes like Bharat Darshan play a vital role in strengthening emotional bonds and fos-tering mutual understand-ing among the youth of dif-ferent regions.

# India announce updated T20I squad for New Zealand series



RB News: India have an-nounced their revised squad for the T20I series against New Zealand. All-rounder Washington Sundar has sus-tained a side strain injury and has been ruled out of the series. Leg-spinner Ravi Bishnoi has been named as Sundar's replacement, while Shreyas Iyer has been added to T20I squad for the first three matches as a replacement for injured Tilak Varma.

# New Zealand defeated India by 7 wickets



RB News: New Zealand defeated India by seven wickets in the second ODI in Rajkot to level the three-match series 1-1. Daryl Mitchell's unbeaten 131-run knock majorly contributed to New Zealand's chase of 285 runs in 47.3 overs. Daryl Mitchell was adjudged Player of the Match. Earlier, put in to bat first, India posted 284 runs for the loss of seven wick-ets in the stipulated 50 overs. The third and final match of the series will be played in Indore on Sunday.

# Arsenal beat Chelsea 3-2 after Sanchez errors



RB News: Arsenal capitalized on two costly goalkeeping mistakes by Robert Sanchez to claim a 3-2 win at Chelsea in the first leg of the English League Cup semifinals Wednesday. Ben White scored from a corner and Viktor Gyokeres added a goal plus an assist. Chelsea's Robert Sanchez made two costly mistakes, while Alejandro Garnacho struck twice to keep the tie alive. Arsenal's set-piece strength proved decisive ahead of the second leg.

# FC Goa players accept pay cut ahead of delayed ISL season



RB News: FC Goa players, in-cluding Sandesh Jhingan, and support staff have agreed to a pay cut for the upcoming Indian Super League (ISL) season. Call-ing it a selfless act, the team said it was "deeply humbled by this gesture and immensely grateful for the unity, character, and commitment shown by the group". The delayed ISL season will begin on Feb-ruary 14.

# Assam Governor inaugurates GI Mahotsav to promote India's heritage through GI products



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya inaugurated GI Mahotsav: "Promoting India's Heri-tage through GI Prod-ucts", an initiative of the Ministry of MSME, Gov-ernment of India, organised by the PHD Chamber of Com-merce and Industry (PHDCCI) with the support of the Office of the Development Commissioner (MSME), at the Arya Vidyapeeth College Ground in Guwahati. Speaking on the occa-sion, Governor Shri Acharya expressed happi-ness for being able to be a part in the GI Festival, which celebrates India's rich heritage through its distinctive Geographical Indication (GI) products. He said that the Mahotsav is a tribute to 'Vocal for lo-cal' and promote India's local products, which are results of the tireless ef-forts of artisans, farmers, weavers, and craftsmen. This festival is a platform for providing an effective platform and giving na-tional and global visibility to the country's traditional skills, cultural legacy, and local economy. He con-gratulated the Ministry of MSME and the PHD Chamber of Commerce and Industry for concep-tual-ising and organising the festival, which he de-scribed as a forward-look-ing and impactful initiative. Elaborating on the impor-tance of Geographical In-dications, Shri Acharya said that a GI tag signifies that a product originates from a specific geographi-cal region and derives its quality, reputation, and distinctive characteristics from that place. GI prod-ucts, he noted, embody the traditional identity, cul-tural heritage, and indig-enous knowledge of any particular region, and are preserved and developed over generations by rural, marginal, and indigenous communities.

# বাপতি সাহোন ভোগালী বিহু

মাঘ বিহুত পিঠা পনা, চিৰা, সান্দহ পিঠাগুৰিৰ বিভিন্ন খাদ্য প্ৰস্তুত গাঁও প্ৰায় ভাগ মানুহে কৰা দেখা যায়। বৰ্তমান চহৰ অঞ্চলৰ বাস কৰা লোক সকলে নিজে প্ৰস্তুত নকৰিলেও বিভিন্ন প্ৰতিষ্ঠানে আয়োজন কৰা বিপনীত বা মেলাৰ যোগেদি এই সকলো বস্তু পোৱাৰ সুবিধা পাইছে। পিঠা-পান এই বোৰ প্ৰস্তুত কৰাত আমাৰ চহা অসমীয়া সকলৰ ঢেঁকী ওতঃপ্ৰোত ভাৱে জড়িত। অনুভৱ হয় ঢেঁকী আমাৰ বাবে আইতাৰ তামোল খুন্দি খোৱা খুন্দনাটোৰ সমান হিয়াৰ আপোন।

অসমীয়াৰ জাতীৰ বিহুৰ আনন্দ সুকীয়া। ঠাই, ভাষা বিশেষে ইয়াৰ ৰীতি-নীতি ভিন্ন। উজনি অসমৰ আৰু নামনি অসমৰ মাঘৰ বিহুৰ পাৰ্থক্য। আমি নামনিৰ কামৰূপৰ বাসিন্দা হিচাপে এই বিহুটি পুহ মাহৰ সংক্ৰান্তী অৰ্থাৎ দোমাহীৰ দিনা উৰুকা হিচাপে পালন কৰোঁ। ভেলাঘৰ বনাই ডেকা -গাভৰু সকলে ল'গ লাগি ভোজ ভাত খায় । উৰুকাৰ পিছদিনা ৰাতিপুৱা স্নান কৰি সূৰ্য্য দেৱতাক সেৱা জনাই ভেলাঘৰত অগ্নি প্ৰজ্বলিত কৰা হয়। সমূহীয়াকৈ মাহ-প্ৰসাদ আগবঢ়ায় সকলোৰে কুশলে থকাৰ প্ৰাৰ্থনা কৰে। মাঘ বিহুত আমাৰ গাঁওত ঘৰে ঘৰে সাত খন ব্যঞ্জন খোৱা নিয়ম আছে। মাঘৰ এক তাৰিখে (মাঘৰ পন্তা)মানে আগদিনা ৰাতি ৰন্ধা সাতখন ব্যঞ্জন বনাই পিছদিনা খোৱা নিয়ম। এনেকৈ খালে শৰীৰ নিৰোগী আৰু বাঘৰ দৰে বলবান শক্তিশালী হয় বুলি শুনি আহিছো। সেই মতে সকলো গাঁও বাসীয়ে এই নিয়ম পালন কৰি আহিছে এক নৈসৰ্গিক জীৱনৰ মাদকতা বিচাৰি পোৱা যায়।

মনত পৰে এবাৰ সৰুতে আমি মাহীহতৰ ঘৰত ভেলাগৰ বনাইছিলোঁ। ৰাতি খানা খাওঁতে চৰু মাংস বনাব'লৈ তেল দিওঁতে ভেলাঘৰৰ ওপৰৰ পৰা নৰা বোৰ পৰি চৰুটো জুই জ্বলি গৈছিল। পিছত মাহী আৰু মহাদেওঁ আহি সকলো পৰিপাটি কৰি ভেলাঘৰৰ পৰা সকলো খোৱা সামগ্ৰী বোৰ নি ঘৰতে বনাই দিছিল। আজিও মনত পৰিলে হাঁহি উঠে কি যে আমেজ লগা পৰিৱেশ আছিল।

গতিকে বাপতি সাহোন বিহুতিৰ লগত আমাৰ বৃহত্তৰ অসমীয়া সমাজখনৰ ওতঃপ্ৰোত সম্বন্ধ আছে । যেতিয়া লৈকে এই পৰম্পৰা বোৰ থাকিব আমাৰ সমাজখনৰ ঐতিহ্য সুৰক্ষিত হ'ব।







ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286